সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...
Postal Redg. No. GH- 098/ 2015 - 17
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ১৩ সংখ্যা, ১২ চ'ত , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪
RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 13 * Date Of Publication - 27 March 2022 Rs.10.00/-

## সমগ্ৰ দেশৰ লগতে অসমৰ অন্যান্য স্থানতো পেট্ৰ'ল-ডিজেলৰ দাম ঊৰ্ধ্বমুখী



ৰঙিলী বাৰ্ত্তাসেৱা- ক'ভিডসৃষ্ট পৰিস্থিতি আৰু বজাৰৰ জুইত বিপৰ্যস্ত জনসাধাৰণক ইন্ধনৰ মূল্যবৃদ্ধিয়ে যে আন এক দুৰ্ভোগৰ মাজলৈ ঠেলি দিব, সেয়া নিশ্চিত হৈ পৰিছে। কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্তত সমগ্ৰ দেশৰ লগতে অসমৰ অন্যান্য স্থানতো পেট্ৰ'ল-ডিজেলৰ দাম ঊৰ্ধ্বমুখী হৈ গৈ আছে। তিনিটা দিনৰ ভিতৰতে প্ৰতিলিটাৰ পেট্ৰ'ল-ডিজেলত বাঢ়িছে ২.৪০ টকাকৈ। ইয়াৰ লগে লগে অসমত পেট্ৰ'লৰ দামে দ্বিতীয়বাৰৰ বাবে অভিলেখ সৃষ্টি কৰি চেঞ্চুৰী কোবালে। ঢকুৱাখনাত প্ৰতিলিটাৰ পেট্ৰ'লৰ দৰ শতকৰ ঘৰ অতিক্ৰম কৰি ১০০.৬৫ টকা হয়। দৰ বৃদ্ধিৰ এই প্ৰক্ৰিয়া অব্যাহত থাকিলে তিনি-চাৰি দিনৰ ভিতৰতে ৰাজ্যৰ প্ৰতিখন জিলাতে প্ৰতিলিটাৰ পেট্ৰ'লৰ দামে শতকৰ ঘৰ স্পৰ্শ কৰাৰ সম্ভাৱনা অধিক। একে গতিত ঊৰ্ধ্বমুখী হৈছে প্ৰতিলিটাৰ ডিজেলৰ দামো। উল্লেখ্য যে ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধই খাৰুৱা তেলৰ আন্তৰ্জাতিক বজাৰত বিৰূপ প্ৰভাৱ সত্বেও ১৩৭ দিন ধৰি দেশত পেট্ৰল-ডিজেলৰ দাম স্থিৰ অৱস্থাত আছিল। কিন্তু পাঁচ ৰাজ্যৰ বিধানসভা নিৰ্বাচন অন্ত পৰাৰ পাছতে ইন্ধনৰ দাম বৃদ্ধিৰ প্ৰক্ৰিয়া আৰম্ভ হয়। ইয়াৰ পূৰ্বে বিগত বৰ্ষৰ অক্টোবৰ মাহৰ প্ৰথম ভাগত পেট্ৰ'ল-ডিজেলৰ দামে শিখৰ চুইছিল। দেশৰ বিভিন্ন ৰাজ্যৰ দৰে অসমতো প্ৰতি লিটাৰ পেট্ৰ'লৰ দাম অতিক্ৰম কৰিছিল ১০০ টকা। অৱশ্যে সেই সময়ত কেন্দ্ৰীয় চৰকাৰে প্ৰতিলিটাৰ পেট্ৰ'লত ৫ টকা আৰু ডিজেলত ১০ টকা আবকাৰী শুল্ক ৰেহাই দিয়াৰ লগতে ৰাজ্য চৰকাৰে দুয়োবিধ ইন্ধনতে ৭ টকা মূল্য সংযোজিত কৰ হ্ৰাস কৰাত জনসাধাৰণে সকাহ পাইছিল। কিন্তু এইবাৰ পুনৰ দুয়োবিধ ইন্ধনৰ দাম বৃদ্ধি প্ৰক্ৰিয়া আৰম্ভ হোৱাত সৰ্বসাধাৰণে চকুৰে সৰিয়হৰ ফুল দেখিছে।

## সম্পাদকীয়ঃ

### জলবায়ু পৰিবৰ্তন আৰু জলসংকট

জলবায়ু পৰিৱৰ্তন একবিংশ শতিকাৰ এটা প্ৰধান সমস্যা। এই জলবায়ু পৰিৱৰ্তনে কঢ়িয়াই লৈ আনিছে সকলো প্ৰাকৃতিক উপাদানৰ ওপৰত এক অশনি সংকেট। পৃথিৱীৰ সন্মুখলৈ আহিছে এক বৃহৎ প্ৰত্যাহ্বান। বিশ্বায়নৰ যুগত, বিজ্ঞান- প্ৰযুক্তিৰ অগ্ৰগতিয়ে আমাক উন্নতিৰ জখলাত দোপত দোপে আগবঢ়াৰ সপোন দেখুৱাৰ বিপৰীতে পৃথিৱীলৈ ভয়ানক বিপদ মাতি আনিছে। এই জলবায়ু সংকটৰ বাবেই আমি জল সংকটত ভুগিব লগা হ'ব ।ইয়াৰ বাবে দায়ী আমি মানব জাতি নিজেই ।আমাৰ অসাৱধানতাৰ বাবেই আমি এদিন ভয়ংকৰ জল সংকটতত ভূগিব লাগিব। এই ভয়াবহতাৰ প্ৰতি লক্ষ্য ৰাখিয়েই ১৯৯২ চনত ব্ৰাজিলৰ ৰিঅ'-ডি-জেনেৰিঅ'ত ৰাষ্ট্ৰসংঘৰ পৰিৱেশ আৰু পাৰিপাৰ্শ্বিক সন্দৰ্ভত অনুষ্ঠিত এক বৈঠকত বিশ্ব জলদিৱসৰ প্ৰস্তাৱ লোৱা হয়। মানুহে যাতে খোৱাপানীৰ অপব্যয় নকৰে-এই বিষয়ে মানুহক সজাগ কৰি তোলাই হৈছে 'বিশ্ব জল দিৱস'ৰ মূল লক্ষ্য। ১৯৯৩ চনৰ পৰা প্ৰতি বছৰে ২২মাৰ্চ দিনটো 'বিশ্ব জল দিৱস' পালন কৰি অহা হৈছে। এইবছৰো ২২মাৰ্চত অনুষ্ঠিত হৈ যায় জলদিৱস। কিন্তু আমি কেৱল জলদিৱস উৎযাপন হে কৰিছো নে আমি ইয়াক সংৰক্ষণ কৰাৰ ব্যৱস্থা হাতত লৈছো? এতিয়া সময় আহি পৰিছে আমি ইয়াক সংৰক্ষণ কৰাৰ। তাৰোপৰি আমাৰ উঠি অহা প্ৰজন্মক সৰুৰে পৰাই আমি অভিভাৱকসকলে শিকাব লাগিব পানী অনাহকত নষ্ট কৰিব নলগাৰ কথা। মুঠৰ ওপৰত পানীয়ে প্ৰাণীৰ প্ৰাণ এই কথাষাৰ সৰোগত কৰি আমি আমাৰ জলৰাশি সংৰক্ষণ আৰু প্ৰদূষণ মুক্ত কৰাৰ ব্যৱস্থা কৰো আহক।


## চচলত ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰা শিক্ষকসকলৰ চৰকাৰ বিৰোধী শ্লোগান



ৰঙিলী বাৰ্ত্তাসেৱা- ইউনিক আই ডি প্ৰাপ্ত বিশেষ উত্তীৰ্ণ প্ৰাৰ্থীসকলে স্থায়ী নিযুক্তিৰ দাবীৰে চচলস্থিত ধৰ্ণাস্থলীত উত্তাল বিভোক্ষ সাব্যস্ত কৰে। চৰকাৰে তেওঁলোকৰ স্থায়ী নিযুক্তিৰ বাবে কোনো ব্যৱস্থা গ্ৰহণ নকৰাত ক্ষুণ্ণ হৈ পৰা এই শিক্ষকসকলে পুনৰ ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। বিনাচৰ্তে বিশেষ টেট উত্তীৰ্ণ এই শিক্ষকসকলক নিয়মীয়াকৰণৰ দাবী পূৰণ নকৰিলে তেওঁলোকে সমূহীয়াভাবে ব্ৰহ্মপুত্ৰত আত্মজাহ দিবলৈ কুণ্ঠাবোধ নকৰিব বুলিও হুংকাৰ দিয়ে। চচলত ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰা এই শিক্ষকসকলে 'ৰাজ্য চৰকাৰ হায় হায়', 'আমাৰ দাবী ন্যায্য দাবী', 'আমাৰ দাবী পূৰণ কৰক' আদি শ্লোগানেৰে সমগ্ৰ অঞ্চলটোৰ আকাশ-বতাহ কঁপাই তোলে। প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰা এগৰাকী শিক্ষয়িত্ৰীয়ে চৰকাৰী বঞ্চনাক

( তিনিপৃষ্ঠাত চাওক)

## ভাৰতত ১,৬৬০জনলো নতুনকৈ কৰ'নাত আক্ৰান্ত



ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতত যোৱা ২৪ ঘণ্টাত ১,৬৬০ জন লোক নতুনকৈ কৰ'নাত আক্ৰান্তা হৈছে। বৰ্তমান দেশত ১৬,৭৪১ টা সক্ৰিয় কৰ'নাত আক্ৰান্তৰ ঘটনা আছে। কৰ'নাত আক্ৰান্ত হৈ মৃত্যু হোৱা মুঠ লোকৰ সংখ্যা ৫,২০,৮৫৫ জনলৈ বৃদ্ধি হৈছে। কেইবাখনো ৰাজ্যই তেওঁলোকৰ তথ্য মিলাই মুঠ ৪,১০০ জনলোকৰ কৰ'নাত মৃত্যু হোৱা বুলি জনাইছে। ভাৰতত কৰ'নাৰ টিকাকৰণৰ সংখ্যা হৈছে ১,৮২,৮৭,৬৮,৪৭৬।

# অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ কৰ্তৃপক্ষৰ ১১ তম প্ৰতিষ্ঠা দিৱসত ২৫৫ গৰাকী দৌৰবিদৰ “ৰান ফৰ ৰেজিলিয়েঞ্চ” ত অংশগ্ৰহণ

ৰঙিলী বাৰ্ত্তাসেৱা- অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ কৰ্তৃপক্ষই ২৩ মাৰ্চ, ২০২২ তাৰিখে “ৰান ফৰ ৰেজিলিয়েঞ্চ” শীৰ্ষক বিষয়বস্তুৰ অধীনত মাৰাথন দৌৰৰ আয়োজন কৰি ১১ তম প্ৰতিষ্ঠা দিৱস উদযাপন কৰে । এই দৌৰৰ কেন্দ্ৰবিন্দু আছিল অসমত দুৰ্যোগৰ সময়ত ঋতুস্ৰাৱৰ পৰিচ্ছন্নতাৰ ওপৰত সজাগতা সৃষ্টি কৰা তথা চেনিটাৰী ভেণ্ডিং আৰু ডিচপজেল মেচিন স্থাপনৰ জৰিয়তে মহিলাসকলক সমৰ্থন প্ৰদান কৰা। দিশপুৰৰ অসম সচিবালয়ৰ পৰা পুৱা ৫:৩০ বজাত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ প্ৰধান সচিব শ্ৰী অবিনাশ যোশীয়ে এই দৌৰৰ শুভাৰম্ভ কৰে। ইয়াত প্ৰায় ২৫৫ গৰাকী দৌৰবিদে অংশগ্ৰহণ কৰে যাৰ ভিতৰত বিপুল বাৰিকে (২২)প্ৰথম স্থান লাভ কৰে লগতে দেৱজিৎ দাস (২৭) প্ৰথম ৰানাৰ আপ আৰু প্ৰণৱ কলিতা (৩১) দ্বিতীয় ৰানাৰ আপ হিচাপে বিবেচিত হয় । মাৰাথনৰ আটাইতকৈ কনিষ্ঠ অংশগ্ৰহণকাৰী ৫ বছৰ বয়সৰ লগ্ন উৰচু লাকো দৌৰবিদসকলৰ তৰফৰ পৰা ভূয়সী প্ৰশংসা লগতে পুৰস্কৃত কৰা হয়। সকলো বয়সৰ লোকে এই মাৰাথনত অংশগ্ৰহণ কৰে। অনুষ্ঠানটোত ভাষণ প্ৰদান কৰি অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া শ্ৰী জি. ডি. ত্ৰিপাঠীয়ে কয় “অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে এক ভৱিষ্যতৰ কল্পনা কৰিছে য'ত প্ৰতিগৰাকী মহিলাই ঋতুস্ৰাৱৰ সময়ত চাপ, লাজ, কলংক আৰু তথ্য বা যোগানৰ প্ৰতিবন্ধকতা অনুভৱ নকৰাকৈ তেওঁৰ স্বাস্থ্যৰ বিষয়ে শিকিব, খেলিব আৰু নিজকে সুৰক্ষিত অনুভৱ কৰিব পাৰে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ কৰ্তৃপক্ষই এইবাৰ প্ৰথমবাৰৰ বাবে ক্ৰাউড ফাণ্ডিঙৰ প্ৰচেষ্টা হাতত লৈ মহিলা আৰু কিশোৰীসকলৰ লক্ষ্য কৰি ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰস্তুতিত নাগৰিকসকলক অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। ইয়াৰ মুখ্য উদ্দেশ্য হল নাগৰিকসকলক নিয়োজিত কৰা তথা ঋতুস্ৰাৱৰ পৰিচ্ছন্নতা ব্যৱস্থাপনাৰ গুৰুত্ব আৰু প্ৰভাৱৰ



বিষয়ে তেওঁলোকক সংবেদনশীল কৰা”। এই অনুষ্ঠানত অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া শ্ৰী জি. ডি. ত্ৰিপাঠী আৰু ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ প্ৰধান সচিব শ্ৰী অবিনাশ যোশীৰ উপৰিও অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান শ্ৰী মুন্না প্ৰসাদ গুপ্তা, অসম ৰাজ্যিক মহাকাশ প্ৰয়োগ কেন্দ্ৰৰ বিশেষ সচিব তথা সঞ্চালক শ্ৰী পি. এল. এন. ৰাজু, অগ্নি আৰু জৰুৰীকালীন সেৱাৰ উপ সঞ্চালক শ্ৰী মতী জয়শ্ৰী খেৰচা আৰু অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ যুটীয়া সচিব তথা উপ মুখ্য কাৰ্যবাহী বিষয়া শ্ৰী চিন্ময় নাথ উপস্থিত থাকে।

# প্ৰাথমিক টেট শিক্ষকৰ চাকৰি নিয়মীয়াকৰণ, সমহাৰত দৰমহা, বকেয়া ধন আদিৰ দাবীত প্ৰতিবাদ

ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ বিভিন্ন জিলাত কৰ্মৰত প্ৰাথমিক টেট্ উত্তীৰ্ণ শিক্ষকে আজি অসম সৰ্বশিক্ষা অভিযান মিছনৰ কাৰ্যালয়ৰ সন্মুখত চাকৰি নিয়মীয়াকৰণ, সমহাৰত দৰমহা, বকেয়া ধন আদিৰ দাবীত হাজাৰ হাজাৰ শিক্ষকে শ্লোগানেৰে আকাশ বতাহ মুখৰিত কৰি তোলে। এই আন্দোলন কাৰ্যসূচীত যোগ দিয়াৰ বাবে বিভিন্ন জিলাৰ পৰা পুৱাৰে পৰা যুৱক, যুৱতী, বিবাহিত পুৰুষ, মহিলা শিক্ষকৰ সোত বোৱা দেখা যায়। একাংশ শিক্ষকে গণেশগুৰি আৰু আন একাংশই লালগণেশ হৈ আন্দোলন স্থলীৰ ফালে পদপথেৰে যোৱাৰ সময়তে আৰক্ষী বাহিনীৰ দলটোৱে বাধা প্ৰদান কৰে যদিও বাধা নেওচি আন্দোলন স্থলীত যোগদান কৰে। ঠিক তেনেদৰে আৰক্ষী বাহিনীয়ে আন্দোলনটো চচলে নিয়াৰ বাবে চেষ্টা কৰে যদিও শিক্ষকৰ হাৰ ক্ৰমান্বয়ে বৃদ্ধি হোৱাত সম্ভৱ হৈ নুঠিল। প্ৰায় তিনিঘন্টা জুৰি চলা আন্দোলনত কাহিলীপাৰাৰ বাট পথত চলা পথচাৰী, যানবাহন আৰোহী, চালকে যাতায়াতৰ সময়ত বাৰুকৈয়ে জীয়াতু ভুগিবলগীয়া হয়। আন্দোলনৰ প্ৰকোপ বৃদ্ধি পাবলৈ ধৰাৰ সময়তে অসম চৰকাৰৰ প্ৰাথমিক শিক্ষা বিভাগৰ বিশেষ আয়ুক্ত সচিব প্ৰীতম শইকীয়া ঘটনাস্থলীত উপস্থিত হয়। টেট্ শিক্ষকৰ ছয় দফীয়া দাবী সম্বলিত স্মাৰক পত্ৰ এখন টেট্ শিক্ষক সমাজে তেওঁৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে। তেওঁ উক্ত সমস্যাসমূহ সমাধানৰ আশ্বাস দিয়াত টেট্ শিক্ষকসকলে আন্দোলন স্থগিত ৰাখে। হাজাৰ হাজাৰ টেট্ শিক্ষকৰ প্ৰতিবাদক লৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়-শিক্ষক, অধ্যাপকে আন্দোলন কৰাটো মই সমৰ্থন নকৰো। কোনো চৰকাৰী কৰ্মচাৰীয়ে আন্দোলন কৰাটো মই সমৰ্থন নকৰো।অসমৰ মানুহে আন্দোলন বৰ্জিত পৰিৱেশ বিচাৰে চৰকাৰে যদি কিবা নিদিয়ে ন্যায় আছে, আদালত আছে। ক্লাছ এৰি আন্দোলন কৰটো গ্ৰহণযোগ্য হ'ব নোৱাৰে।ঠিক তেনেদৰে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি শিক্ষামন্ত্ৰী ডা° ৰণোজ পেগুয়ে কয়-এটকা খৰচ নকৰাকৈ সমহাৰত দৰমহা পোৱাৰ লগতে বকেয়াৰ ধন লাভ কৰিব। এখন তামোল নিদিয়াকৈ আপোনালোকে চাকৰি লাভ কৰিছে। ৬০ বছৰলৈকে চাকৰি থাকিব বুলি গ্যাৰেন্টি দিছে চৰকাৰে। সেই গ্যাৰেন্টিৰ সাক্ষৰ কৰিছে শিক্ষকে।মাত্ৰ কেইদিনমান ধৈৰ্য ধৰিব লাগিব।আন্দোলন স্থলীত সদৌ অসম প্ৰাথমিক টেট উত্তীৰ্ণ শিক্ষক সমাজৰ সভাপতি ত্ৰৈলোক্য ডেকা আৰু সাধাৰণ সম্পাদক মিৰাজুল ৰছিদ, দীপাৰ্ণৱ ঘোষে কয়- অসমৰ বিভিন্ন জিলাত কৰ্মৰত প্ৰাথমিক টেট উত্তীৰ্ণ প্ৰায় চল্লিশ হাজাৰ ঠিকাভিত্তিক (সৰ্বশিক্ষা আৰু ষ্টেটপুল) শিক্ষক দীৰ্ঘদিন ধৰি প্ৰাপ্য বিভিন্ন সুবিধাৰ পৰা দুৰ্ভাগ্যজনকভাৱে বঞ্চিত হৈ আছে। ইতিমধ্যে জীৱনৰ সুদীৰ্ঘ প্ৰায় দহবছৰ কাল শিক্ষকতাৰ সেৱাত নিয়োজিত থাকি তথা ২০১২ চনৰ পৰা আৰ.অ.পি অনুসৰি দৰমহা লাভ কৰিও বৰ্তমানে এইসকল শিক্ষক বঞ্চিত হৈ আছে ।সমস্যাসমূহ সমাধানৰ বাবে বিভিন্ন পৰ্যায়ত প্ৰতিশ্ৰুতি তথা বিভিন্ন চৰকাৰী সিদ্ধান্ত লোৱা হৈছিল যদিও পৰৱৰ্তী সময়ত তাৰ বাস্তৱ ৰূপায়ণ দেখা নগ'ল।'শিক্ষাৰ অধিকাৰ আইন'ৰ অধীনত নিযুক্তিপ্ৰাপ্ত এইসকল শিক্ষকক প্ৰাৰম্ভিকতেই 'স্থায়ী আৰু প্ৰশিক্ষণপ্ৰাপ্ত' কেডাৰৰূপে নিয়োগ নকৰাৰ ফলশ্ৰুতিত 'সম কামৰ সম মৰ্যাদা' বহুলাংশে নস্যাত হোৱাৰ লগতে বিভিন্ন সা-সুবিধাৰ পৰা পদে পদে বঞ্চিত হৈ ৰৈছে। সমস্যাসমূহৰ সুদূৰপ্ৰসাৰী আৰু দীৰ্ঘম্যাদী সমাধান 'বেতন সুৰক্ষাসহ নিয়মীয়াকৰণ'ৰ বাবে বাৰে বাৰে আবেদন জনোৱাৰ পাছতো বৰ্তমানলৈ চৰকাৰৰ কোনোধৰণৰ ধনাত্মক পদক্ষেপ পৰিলক্ষিত হোৱা নাই ।বৰঞ্চ শিক্ষামন্ত্ৰীত্বৰ কালৰ ২০২০ বৰ্ষৰ অসম চৰকাৰৰ কেবিনেট সিদ্ধান্তৰে ১ জুলাই ২০২০ ইং তাৰিখে প্ৰকাশ পোৱা ৰাজ্যপালৰ অনুমোদিত নিৰ্দেশনাযোগে প্ৰদানৰ প্ৰতিশ্ৰুতি দিয়া সুবিধাৰাজিও আজিকোপতি এইসকল শিক্ষকে লাভ কৰিবলৈ সক্ষম নহ'ল ।যাৰ পৰিপ্ৰেক্ষিতত দীৰ্ঘদিন ধৰি পাই অহা বহু সুবিধাৰ পৰাও দুৰ্ভাগ্যজনকভাৱে হঠাৎ

( তিনিপৃষ্ঠাত চাওক)

# সুৰজিৎ একাডেমীত বিশ্ব পুতলা নাচ দিৱস



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰতি বছৰে ২১ মাৰ্চত গোটেই বিশ্বতে বিশ্ব পুতলা নাচ দিৱস উদযাপন কৰা হয়। এইবাৰ পুতলা নাচ দিৱসৰ উদ্দেশ্য হৈছে পুতলা নাচক গোলকীয় কলা হিচাপে পৰিচয় কৰোৱা আৰু বিশ্বৰ পুতলা নাচ শিল্পী সকলক সন্মান জনোৱা। ইউএনআইএমএ- ইউনিয়ন ইণ্টাৰনেচনেল ডে লা মাৰিওনেট নামৰ আন্তঃৰাষ্ট্ৰীয় অনুষ্ঠানে প্ৰথম বাৰৰ বাবে ২০০৩ চনত বিশ্ব পুতলা নাচ দিৱস উদযাপন কৰিছিল। বিশ্বৰ বিভিন্ন ঠাইত পুতলা নাচ দিৱস পালন কৰা হৈছে। অসমতো প্ৰতি বছৰে সুৰজিৎ একাডেমীয়ে ২১ মাৰ্চত পুতলা নাচ দিৱস পালন কৰি আহিছে। হেৰাই যাবলৈ ধৰা অসমৰ কলাক প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে অহৰহ চেষ্টা চলাই আছে। পুতলা নাচ দিৱস কাৰ্যক্ৰমত ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰণালয়ৰ পৰা ৰাষ্ট্ৰীয় ৰিচাৰ্চ টেগৰ স্কলাৰ প্ৰাপ্ত বিনীতা দেৱীয়ে বিশ্ব পুতলা নাচ সম্পৰ্কে ব্যাখ্যা দাঙি ধৰে। পুতলা নাচে সকলোকে মনোৰঞ্জন দিয়াৰ লগতে শিক্ষাৰ ক্ষেত্ৰতো যথেষ্ট গুৰুত্ব আছে। মানৱৰ দৈহিক মানসিক সকলো ক্ষেত্ৰতে বিকাশ ঘটাই পুতলা মাধ্যমেৰে। আজিৰ বিশ্ব পুতলা নাচ দিৱসত পুতলা নাচৰ শিল্পী প্ৰণৱ ৰাভা, হাৰ্দিক শৰ্মা, ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰণালয়ৰ পৰা জলপানি প্ৰাপ্ত হৃদয় জ্যোতি দাস, কৃষ্টি ৰাজবংশী, নিহাৰিকা কলিতা, ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰণালয়ৰ পৰা জলপানি প্ৰাপ্ত আৰু ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰণালয়ৰ উত্তৰ পূৱ মণ্ডল সাংস্কৃতিক কেন্দ্ৰৰ পৰা যুৱ শিল্পী বঁটা প্ৰাপ্ত ধ্ৰুৱ জ্যোতি কলিতা, কৰিশ্মিতা তালুকদাৰ, সীমা দেৱী পুতলা নাচ পৰিৱেশন কৰে। অনুষ্ঠানত ভেণ্ট্ৰিলোকুইজম, সূতা পুতলা, লাঠি পুতলা, ছাঁ পুতলা, গ্লভ পুতলা, কাগজৰ পুতলা, ভেংকুৰালিছিম অনুষ্ঠানত পৰিৱেশন কৰা হয়। অনুষ্ঠানত সাংস্কৃতিক কৰ্মী, শিক্ষাবিদ, বিভিন্ন মহাবিদ্যালয়-বিশ্ববিদ্যালয়ৰপৰা অহা শিক্ষাৰ্থীয়ে বিশ্ব পুতলা নাচৰ দিন জোৰা কাৰ্য্যসূচীৰ সাংস্কৃতিক কাৰ্যক্ৰম উপভোগ কৰে।

# 'মটৰ শ্ৰমিক কল্যাণ আঁচনি' কাৰ্যকৰী কৰা, নানা ধৰণৰ কৰ, অত্যাধিক জৰিমনা আদায়ৰ বাবে হাৰাশাস্তি বন্ধৰ আহ্বান চৰকাৰক

ৰঙিলী বাৰ্ত্তাসেৱা- মটৰ শ্ৰমিক সংগঠন সমূহে মটৰ শ্ৰমিকৰ কল্যাণ আঁচনি শীঘ্ৰে কাৰ্যকৰী কৰা, অত্যাধিক জৰিমনা প্ৰত্যাহাৰ কৰা, শ্ৰমিক বিৰোধী শ্ৰম সংহিতা প্ৰত্যাহাৰ, ক'ৰনা কালৰ সাহায্য সকলো মটৰ শ্ৰমিকক দিয়া আদি দাবী তথা কেন্দ্ৰীয় ট্ৰেড ইউনিয়ন আৰু ফেডাৰেশ্বন সমূহে আহ্বান দিয়া, সৰ্বভাৰতীয় ধৰ্মঘটৰ প্ৰতি সমৰ্থন জনাই ২৮-২৯ মাৰ্চত ৪৮ ঘন্টীয় চকা বন্ধৰ আহ্বান দিয়ে। অৱশ্যে এই বন্ধৰ সময়ত পৰীক্ষা দিয়া ছাত্ৰ ছাত্ৰী, গাখীৰ, বিজুলী, পানী যোগানৰ লগতে জৰুৰী আৰু অত্যাৱশ্যকীয় ব্যৱস্থা ৰেহাই দিয়ে। দিছপুৰ প্ৰেছ ক্লাবত সংবাদ মেল আয়োজন কৰি অসমৰ মটৰ শ্ৰমিক সংগঠন সমূহৰ যৌথ মঞ্চই এইদৰে সদৰী কৰে। সদৌ অসম মটৰ শ্ৰমিক যুটীয়া পৰিষদৰ সাধাৰণ সম্পাদক এ ৰেজ্জাক আহমেদ, অসম পেট্ৰ'লিয়াম মজদুৰ ইউনিয়নৰ সাধাৰণ সম্পাদক ৰমেন দাস, অল ইন্দিয়া ৰোড ট্ৰেন্সপোৰ্ট ৱাৰ্কচ ফেডাৰেশ্বনৰ অসম ৰাজ্যিক কমিটীৰ সাধাৰণ সম্পাদক বীৰেন শৰ্মাই কয়-সমাজখনক গতিশীল কৰি ৰখা মটৰ শ্ৰমিকসকলক সকলাে দিশৰ পৰা বঞ্চিত কৰাৰ প্ৰৱণতা চৰকাৰে এৰিব পৰা নাই। এটা গুৰুত্বপূৰ্ণ বিভাগ উন্নত কৰিব লাগিলে চালক কৰ্মচাৰীক মানসিকভাৱে প্ৰস্তুত কৰি তালোৰ ব্যৱস্থা এটা সক্ৰিয় কৰি ৰখাৰ বাবে কোনাে ধৰণৰ প্ৰয়াস সংশ্লিষ্ট বিভাগ তথা চৰকাৰৰ কাম-কাজত দেখা নাযায়। সৰু সৰু যানবাহন বৃদ্ধিৰ লগে লগে চালক কৰ্মচাৰীৰ সংখ্যা ও বৃদ্ধি হৈছে। ৰাজ্যখনৰ প্ৰায় ৮ লাখ মটৰ পৰিবহন শ্ৰমিক এই বিভাগত নিয়োজিত হৈ ৰাইজ তথা চৰকাৰৰ সেৱা আগবঢ়াই আহিছে। ইয়াৰ ভিতৰত স্বনিয়াজিত অৰ্থাৎ নিজেই নিজৰ বাহনত চালক- কৰ্মচাৰীৰ কাম কৰি জীৱন নিৰ্বাহ কৰি অহা যুৱকৰ সংখ্যা কম নহয়। বিভিন্ন পৰ্যটন প্ৰতিষ্ঠানৰ জৰিয়তে যথেষ্ঠ সংখ্যক যুৱকে কৰ্মসংস্থানৰ লগতে চৰকাৰৰ পৰ্য্যটন ক্ষেত্ৰখনক উন্নত কৰাৰ প্ৰয়াস কৰিছে। ইয়াৰ উপৰিও গুৱাহাটীকে ধৰি ৰাজ্যখনৰ চহৰ নগৰত সৰু ডাঙৰ বাহনেৰে যাত্ৰী ও মালবস্তু কঢ়িওৱাৰ উপৰিও আজিকালি বহুতে নিজৰ গধুৰ যানবাহন চলাই চৰকাৰক সেৱা দি আহিছে। এনে ক্ষেত্ৰত চৰকাৰে নানা ধৰণৰ আঁচনিৰ জৰিয়তে এই যুৱক সকলক পৰিবহন খণ্ডটোক উন্নত কৰাৰ বাবে জড়িত কৰাৰ আঁচনি আমাৰ লক্ষ্যত পৰা নাই। বহু আন্দোলনৰ পাছত পৰিবহন আৰু শ্ৰম বিভাগে কিছু উদ্যোগ লাৰোৰ ফলত চৰকাৰে বিগত বিধানসভাত 'মটৰ শ্ৰমিক কল্যাণ আঁচনি'এখন গৃহীত কৰা বুলি আমি জানিব পাৰিছিলোঁ। কিন্তু আজিলৈ কাৰ্যকৰী কৰা নাই। বৰং ইয়াৰ বিপৰীতে বিভিন্ন জৰিমনাৰে চালক কৰ্মচাৰী আৰু সৰু সৰু মালিকসকলক হাৰাশাস্তি কৰাৰ লগতে চৰকাৰৰ খালি হৈ থকা ভঁৰাল টনকিয়াল কৰাৰহে প্ৰয়াস পৰিলক্ষিত হৈছে। বিগত চ টাকৈ বছৰ ক'ৰনাৰ প্ৰভাৱৰ বাবে বেছিভাগ যানবাহনৰ চকা বন্ধ হৈ থাকিল। কিন্তু চৰকাৰে সঠিকভাৱে চালক-কৰ্মচাৰীক সামান্য সাহয্য দিয়াৰ প্ৰয়াস নকৰিলে, চৰকাৰে লক ডাউনৰ জৰিয়তে নিজেই বন্ধ ৰখা বাহন সমূহৰ পৰা বিভিন্ন কৰ ৰেহাই নিদিলে।বৰং গাড়ী চলিবলৈ আৰম্ভ কৰাৰ লগে লগে জৰিমনাসহ বিভিন্ন কৰ বিভিন্ন ধৰণে হাৰাশাস্তি কৰাৰ আঁচনি হাতত ল'লে । বহুচালক কৰ্মচাৰীৰ ক্ষেত্ৰত বহু দুখজনক কাহিনী আমাৰ পৰিলক্ষিত হ'ল।

# প্ৰাথমিক টেট শিক্ষকৰ

বঞ্চিত হৈ ৰ'বলগা পৰিৱেশ সৃষ্টি হৈছে যিয়ে শিক্ষকসকলক ভৱিষ্যতৰ প্ৰতি পদে পদে শংকাত ৰাখিছে । এইক্ষেত্ৰত বিভাগীয় মন্ত্ৰীৰ সৈতে হোৱা আনুষ্ঠানিক আলোচনাও মুৰকত ফলাফলহীন হ'ল ।তাৰেই দুখ আৰু ক্ষোভৰ বহিঃপ্ৰকাশ স্বৰূপে ' সদৌ অসম প্ৰাথমিক টেট্ উত্তীৰ্ণ শিক্ষক সমাজ'ৰ আহ্বানত শিক্ষকসকলে একান্ত অনিচ্ছাস্বত্তেও এলানি গণতান্ত্ৰিক আন্দোলন চলাই যাবলৈ বাধ্য হৈ পৰিছে। 'শিক্ষাৰ অধিকাৰ আইন'ৰ অধীনত নিয়োজিত টেট উত্তীৰ্ণ ঠিকাভিত্তিক শিক্ষকসকলৰ চাকৰি বিনাচৰ্তে বেতন সুৰক্ষাসহ নিয়মীয়াকৰণ'ৰ দ্বাৰা শিক্ষকসকলক ন্যায় প্ৰদান কৰিব লাগে। বিগত ২০১৩ বৰ্ষৰ পৰাই আৰ . অ'.পি . অনুসৰি দৰমহা লাভ কৰাৰ পাছতো দুৰ্ভাগ্যজনক কাৰণত ২০১৯ বৰ্ষৰ পৰাই বৰ্দ্ধিত মৰগীয়া বানচ এইসকল শিক্ষকে লাভ কৰা নাছিল । শেহতীয়াকৈ জানুৱাৰী মাহৰ পৰা বৰ্ধিত ৫% মৰগীয়া বানচ লাভ কৰিছে যদিও বৰ্তমানেও সুদীঘ ৩০ মাহৰ বকেয়াৰ পৰা এইসকল শিক্ষক বঞ্চিত হৈ আছে ।ইয়াৰ উপৰি চৰকাৰে নিয়মীয়া কৰ্মচাৰীসকলক প্ৰদান কৰি থকা ১১% আৰু ৩% মৰগীয়া বানচ আৰু তাৰ বকেয়াসমূহ প্ৰদানৰ কোনো নিৰ্দেশনা বিভাগীয়ভাৱে প্ৰকাশ পোৱা নাই। যিটোৱে ২০১৭ চনৰ পৰা সপ্তম দৰমহা আয়োগৰ অধীনত সৰ্বশিক্ষাৰ অন্তৰ্গত টেট শিক্ষকক দৰমহা প্ৰদানৰ বিভাগীয় নিৰ্দেশনা তথা ২০২০ বৰ্ষৰ ১ জুলাই তাৰিখৰ অসম চৰকাৰৰ কেবিনেট সিদ্ধান্তৰ ৰাজ্যপালৰ নিৰ্দেশনাত উল্লেখ থকা সকলো কথা অৱমাননা কৰি স্বাভাৱিকতে শিক্ষকসকলক বিদ্ৰোহী কৰি তুলিছে। শিক্ষামন্ত্ৰীত্বৰ কালতে অৰ্থাৎ ২০২০ বৰ্ষৰ ১ জুলাইত কেবিনেট সিদ্ধান্তৰে প্ৰকাশিত ৰাজ্যপাল নিৰ্দেশনাখন কাৰ্যকৰী কৰি এইসকল শিক্ষকক দিয়া লিখিত প্ৰতিশ্ৰুতি পালনৰ দাবী জনালোঁ ।ইয়াৰ সুবিধাৰাজি বিশেষকৈ 'মেডিকেল বি- ইস্বাৰ্চমেন্ট', 'বেংকলোনৰ সুবিধা তথা অন্যান্য সকলো সুবিধা অনতিপলমে শিক্ষকসকলক প্ৰদান কৰি সাময়িক সকাহৰ ব্যৱস্থা কৰিব লাগে। সৰ্বশিক্ষাৰ অধীনৰ শিক্ষকসকলক সাময়িক সকাহ হিচাপে এন.পি.এচ, মৃত্যুকালীন সা-সুবিধা, চাৰ্ভিচ বুক, এম.এ.চি.পি.এচ. ৰ সুবিধা তথা ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক শিক্ষক বঁটাৰ বাবে আবেদনৰ সুবিধা প্ৰদান কৰিব লাগে। সপ্তম দৰমহা আয়োগৰ দৰমহা প্ৰদানৰ সময়ত দৰমহা গাঁথনিত ৰৈ যোৱা আসোঁৱাহসমূহ নিৰ্মূল কৰিব লাগে।বদলিকৰণ আইনৰ কিছু সংশোধনৰ জৰিয়তে হ'লেও বহিঃজিলাত বহুবছৰ ধৰি কৰ্মৰত শিক্ষকসকলক গৃহজিলালৈ বদলিকৰণৰ সুবিধা প্ৰদান কৰা, তথা ষ্টেটপুল - এচ.এচ.এ শিক্ষকৰ মাজত বুজাবুজিৰ বদলিকৰণৰ সুবিধা প্ৰদান কৰিব লাগে। চলিত মাৰ্চৰ ভিতৰত সমস্যাসমূহ সমাধান নকৰিলে আগন্তুক পহিলা এপ্ৰিলৰ পৰাই আমি শিক্ষকসকলৰ আৱেগ আৰু ক্ষোভক বাধা দিবলৈ অপাৰগ হ'ম আৰু গণতান্ত্ৰিকভাৱে পুনৰ আন্দোলন কাৰ্যসূচী সমূহ ৰূপায়ণ কৰিবলৈ বাধ্য থাকিম। আনহাতে সমস্যাসমূহৰ ন্যায্যতা অনুসৰি সমাধান নহ'লে আগন্তুক গুণোৎসৱতো ঠিকাভিত্তিক কৰ্মৰত সৰ্বশিক্ষাৰ অন্তৰ্গত প্ৰাথমিক টেট উত্তীৰ্ণ শিক্ষকসকলে অসহযোগ কৰিবলৈ বাধ্য থাকিব। শিক্ষকসকলে ধৈৰ্যৰ অপেক্ষা কৰা আৰু আস্থা ৰাখি প্ৰাপ্যৰ বাবে ৰৈ থকাৰ সময় ইতিমধ্যে উকলি গৈছে বুলি শিক্ষকসকল প্ৰায় নিশ্চিত হৈ পৰিছে। উল্লিখিত সময়ৰ ভিতৰত প্ৰাপ্য আদায়ৰ কোনো ইতিবাচক পদক্ষেপ নেদেখিলে সাময়িকভাৱে স্থগিত আন্দোলনৰ সকলো কাৰ্যসূচী তীব্ৰভাৱে চলাই নিবলৈ শিক্ষক সমাজ বাধ্য হ'ব।

# খানাপাৰাত 'বিষ্ণুপ্ৰিয়া মণিপুৰী সাহিত্যৰ ইতিহাস' গ্ৰন্থ উন্মোচন



ৰঙিলী বাৰ্ত্তাসেৱা- গকুলানন্দ গীতিস্বামী কলাকৃষ্টি কেন্দ্ৰ আৰু বিষ্ণুপ্ৰিয়া মণিপুৰী যুৱ পৰিষদৰ যুটীয়া উদ্যোগত আজি খানাপাৰাৰ উদয়নগৰৰ শ্ৰী ী গোবিন্দ মন্দিৰ সেৱাশ্ৰম কলাকৃষ্টি কেন্দ্ৰত বিষুপ্ৰিয়া মণিপুৰী শ্বহীদ কুমাৰী সুদেষা সিনহাৰ ২৭সংখ্যক শ্বহীদ দিৱস উদ্‌যাপন হয়। আৰম্ভণিতে ভাষা শ্বহীদ কুমাৰী সুদেষণা সিনহাৰ স্থিৰ চিত্ৰত সামূহিকভাৱে বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰাৰ অন্তত অনুষ্ঠিত মুকলি সভাত বিষ্ণুপ্ৰিয়া মণিপুৰী সাহিত্য পৰিষদৰ সভাপতি, সাহিত্যিক পেঞ্চনাৰ দিলস্ লক্ষ্মীন্দ্ৰ সিংহ ৰচিত গ্ৰন্থ 'বিষ্ণুপ্ৰিয়া মণিপুৰী সাহিত্যৰ ইতিহাস' উন্মোচন কৰি বহুভাষিক সাহিত্য মঞ্চ, অসমৰ প্ৰধান সম্পাদক দীপক শৰ্মাই কয়-নিজ মাতৃভাষাৰ বুৰঞ্জী জনাটো নিতান্তই প্ৰয়োজন। সকলো জাতি- জনজাতি- উপজাতিৰে বুৰঞ্জী প্ৰকাশ হ'ব লাগে। দিলস্ লক্ষ্মীন্দ্ৰ সিংহ ৰচিত বিষ্ণুপ্ৰিয়া মণিপুৰী সাহিত্যৰ বুৰঞ্জী গ্ৰন্থখনি মাইলৰ খুঁটি হিচাপে বিবেচিত হ'ব। বিজন সিনহা আৰু প্ৰদীপ সিনহাই আঁত ধৰা সভাত হাফলঙৰ গুণজুং চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ননীবাবু সিনহা, মিজোৰামৰ ৰুলচম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ প্ৰতাপ চন্দ্ৰ সিংহ, কৰিমগঞ্জৰ কবি, লেখিকা সুচৰিতা সিনহা, চলচ্চিত্ৰ পৰিচালক হীৰেন্দ্ৰ সিংহ, বিষ্ণুপ্ৰিয়া মণিপুৰী মহাসভাৰ উপ-সভাপতি শংখ সিংহ, ত্ৰিপুৰা প্ৰদেশ বিষ্ণুপ্ৰিয়া মণিপুৰী যুৱ পৰিষদৰ সভাপতি নিৰঞ্জন সিংহ, ত্ৰিপুৰাৰ সমাজসেৱী পৰিতোষ সিংহ, অসম প্ৰদেশ বিষ্ণুপ্ৰিয়া মণিপুৰী যুৱ পৰিষদৰ সভাপতি নৰেন্দ্ৰ সিংহ বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে।

# বৰঝাৰ বিমানবন্দৰৰ সমীপত নৱনিৰ্মিত চিনেমা হল উদ্বোধন

ৰঙিলী বাৰ্ত্তাসেৱা- যি সময়ত ক'ভিডৰ লগতে আন আন বহু কাৰণৰ বাবে ৰাজ্যৰ বহু বি চি চলচিত্ৰ গৃহ বন্ধ হৈ পৰিছে সেই সময়তে গুৱাহাটীৰ পশ্চিম প্ৰান্তৰ বৰঝাৰ বিমানবন্দৰৰ সমীপত আজাৰা ভি আই পিত নতুনকৈ নিৰ্মাণ কৰা 'আৰ আৰ চিনেমাছ' নামৰ এটা অত্যাধুনিক শীত তাপ নিয়ন্ত্ৰিত চিনেমা হল সোমবাৰে উদ্বোধন কৰা হয় ।মাংগলিক কাৰ্যৰ মাজেৰে চিনেমা হলটো উদ্বোধন কৰে জনপ্ৰিয় অভিনেত্ৰী আইমী বৰুৱাই। আইমী বৰুৱাই ভাষণত কয়-চিনেমা উদ্যোগটোক জীয়াই ৰাখিবলৈ হ'লে এনেধৰণৰ চিনেমা হলে বিশেষ ভূমিকা গ্ৰহণ কৰিব লাগিব। উল্লেখযোগ্য যে নৱনিৰ্মিত হলটোত ১৩৫ গৰাকী লোকে একেলগে চিনেমা উপভোগ কৰিব পাৰিব ।প্ৰতিদিনে প্ত টাকৈ দৰ্শনীৰ ব্যৱস্থা থাকিব বুলি উদ্যোক্তা সকলে জানিবলৈ দিয়ে । আনহাতে উদ্বোধনী অনুষ্ঠানত প্ৰিয়ম পল্লৱীকে ধৰি সাংস্কৃতিক জগতখনৰ লগত জড়িত কেইবাগৰাকীও লোক উপস্থিত থাকে।

# চচলত ধৰ্ণা কাৰ্যসূচী

কঠোৰ ভাষাৰে সমালোচনা কৰি কয়- '২০০৩ চনৰ পৰাই আমি ৰাজ্যৰ শিক্ষাখণ্ডৰ উন্নয়নৰ বাবে কাম কৰি আহিছোঁ। যি সময়ত ৰাজ্যত শিক্ষাৰ মান অত্যন্ত দুৰ্বল অৱস্থাত আছিল, সেই সময়ত শিক্ষাৰ ভেটি গঢ় দিয়া কাৰ্যত আমি নিয়োজিত হৈ আছোঁ। কিন্তু আমি গঢ়ি থোৱা ভেটিত ২০১২ চনত টেট উত্তীৰ্ণ প্ৰাৰ্থীসকলে নিযুক্তি লাভ কৰিলে। সাধাৰণ টেট উত্তীৰ্ণসকলৰ সৈতে আমাক নিমিলাব। ইউনিক আই ডিপ্ৰাপ্ত ১৪, ৫৭৫গৰাকী শিক্ষকৰ ভিতৰত মাত্ৰ ৬৬৭ গৰাকীয়ে বিশেষ টেটত উত্তীৰ্ণ হৈছিল। এই বিশেষ টেট উত্তীৰ্ণসকলক ৰাজ্যৰ খালী হৈ থকা পদত নিযুক্তিৰ বাবে দাবী উত্থাপন কৰি আহিছে বঞ্চিত এই শিক্ষকসকলে।

# যৌৱন প্ৰাপ্তিৰ আগত কৈশোৰৰ প্ৰতি ল’ব লগা সাৱধানতা

কৌশল্যা বৰা দেৰগাঁও



আপোনাৰ আঠ, ন, দহ বছৰীয়া সন্তানটিয়ে কেতিয়াবা হঠাতে শিশুৰ দৰে আচৰণ কৰে নেকি? কেতিয়াবা অভিমান কৰে নেকি? কেতিয়াবা কিবা কথাত বহুত জেদ ধৰে নেকি? কেতিয়াবা গুৰু-গম্ভীৰ হৈ আকৌ কেতিয়াবা চঞ্চল হৈ উঠে নেকি? কেতিয়াবা অকলশৰীয়াকৈ থাকিবলৈ বিচাৰে নেকি? এনে সময়ত বাৰু আপুনি চিন্তিত হৈ পৰে নেকি? এনেবোৰ কথাকে ভাবি ব্যক্তিগত অভিজ্ঞতাৰে এটি সামান্য লেখা আগবঢ়ালোঁ--কৈশোৰ কালেই মানুহৰ জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সময়। এই সময়খিনিতেই ল’ৰা-ছোৱালীৰ মনত সকলো ধৰণৰ আবেগ-অনুভূতিৰ উন্মেষ আৰু বিকাশ হ’বলৈ ধৰে। কৈশোৰ কালচোৱা খুউব সুন্দৰকৈ আগবঢ়াই নিব পাৰিলে ভৱিষ্যৎ জীৱনো সুন্দৰ হয়। এনে সময়চোৱাত অভিভাৱকৰ বাবে কিছুমান সতৰ্কতা আৰু সাৱধানতাৰ প্ৰয়োজন হয়, যাতে কিশোৰৰ মনত কোনো বেয়াভাবে ক্ৰিয়া কৰিব নোৱাৰে। কিন্তু, আমাৰ সমাজৰ এটা দুৰ্বলতা যে কিশোৰৰ দেওনা পাৰ হৈ যৌৱনত ভৰি দিয়াৰ বয়সত ল’ব লগা সতৰ্কতা আৰু এই সম্পৰ্কে আলোচনাৰ কিছু অভাৱ দেখা যায়। যৌৱন পোৱা কাল (adolescence) আৰু যৌৱন প্ৰাপ্তি (puberty) দুটা বেলেগ শব্দ। যৌৱন পোৱা কাল, অৰ্থাৎ কৈশোৰ কালত ল’ৰা-ছোৱালীৰ মন আৰু আবেগৰ তুলনাত শৰীৰৰ তুমুল পৰিবৰ্তন হয় কাৰণে এই সময়চোৱাত অভিজ্ঞতা আৰু শিক্ষাই ভৱিষ্যতৰ ব্যক্তি জন গঢ় দিয়াত গভীৰ প্ৰভাৱ পেলায়। সেইকাৰণে এই সময়চোৱাত অভিভাৱক, শিক্ষক, শিক্ষা-বিষয়া সকলোৱে সতৰ্ক মূলক ব্যৱস্থা লোৱা অতি দৰকাৰ। যৌৱন প্ৰাপ্তিৰ দুবছৰ মানৰ আগৰ পৰাই যৌৱন পোৱাকাল (কৈশোৰ) আৰম্ভ হয়। ছোৱালীৰ ক্ষেত্ৰত যৌৱন প্ৰাপ্তিয়ে কন্যাকাল আৰম্ভ হোৱা আৰু ল’ৰাৰ ক্ষেত্ৰত বীৰ্য্যপাতৰ আৰম্ভণিকে বুজাই। এই সময়ত ল’ৰা-ছোৱালীৰ কিছুমান বিশেষ পৰিবৰ্তন হয়। ল’ৰাৰ ক্ষেত্ৰত কান্ধ বহল হয়,

*(আঠপৃষ্ঠাত চাওক)*

# বৈদিক সাহিত্যত অলংকাৰ

গায়ত্ৰী দেৱী বৰঠাকুৰ ,বাসন্তীপুৰ,তেজপুৰ




ভাৰতীয় সভ্যতা আৰু ডসংস্কৃতিত আৱাহন কালৰে পৰা বেদ আৰু বৈদিক সাহিত্যৰ প্ৰভাৱ বিৰাজমান হৈ আহিছে। সমাজৰ ৰাতি-নীতি -পৰম্পৰা তত্কালীন সাহিত্যত প্ৰতিফলিত হয়। বৈদিক সংস্কৃতিৰ বিষয়ে জানিবলৈ বৈদিক সাহিত্যৰাজিৰ অধ্যয়নহে প্ৰধান আৰু প্ৰথম সম্বল। এই সাহিত্যৰাজিৰ অধ্যয়নৰ দ্বাৰাহে বৈদিক ভাৰতীয় সমাজৰ স্পষ্ট ৰূপ আমি লাভ কৰিব পাৰোঁ।

বেদৰ ভাগ চাৰিটা। মন্ত্ৰ, ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদ। বেদৰ ব্ৰাহ্মণ আদি সাহিত্য অতি বিশাল। প্ৰত্যেক বেদৰেই নিজা- নিজা ব্ৰাহ্মণ, আৰণ্যক তথা উপনিষদ গ্ৰন্থ আছে। তদুপৰি আমি প্ৰায়ে ছয় বেদাঙ্গৰ উল্লেখ পাওঁশিক্ষা, কল্প, ব্যাকৰণ, নিৰুক্ত, ছন্দ আৰু জ্যোতিষ--এয়ে ছয় বেদাঙ্গ। কল্প নামৰ বেদাঙ্গ শ্ৰৌতসূত্ৰ, গৃহ্যসূত্ৰ, ধৰ্মসূত্ৰ আৰু **শুল্ব**সূত্ৰ ভেদে আকৌ চাৰি ভাগত বিভক্ত। প্ৰত্যেক বেদৰেই ব্ৰাহ্মণ গ্ৰন্থসমূহৰ দৰেই কল্পসাহিত্যৰ চাৰিভাগতো ভিন্ন-ভিন্ন সূত্ৰগ্ৰন্থ পোৱা যায়।

বৰ্তমান সময়ত সমাজ-সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ। বৰ্তমান সময়ত যেনেদৰে সৌন্দৰ্য চৰ্চাৰ বিভিন্ন সা-সামগ্ৰী, আ-অলংকাৰ পোৱা যায় তেনেদৰে বৈদিক যুগৰ ভাৰতীয় সকলেও প্ৰকৃতিৰ পৰা লাভ কৰা বিভিন্ন সামগ্ৰী আৰু ধাতুৰ নিৰ্মিত আ-অলংকাৰেৰে সৌন্দৰ্য চৰ্চাৰ দিশটো অব্যাহত ৰাখিছিল।

বৈদিক ভাৰতীয় সকল সৌন্দৰ্য চৰ্চাৰ লগতে নানা ধৰণৰ আ-অলংকাৰ পৰিধান ক্ষেত্ৰত বাটকটীয়া আছিল। শৰীৰৰ সৌন্দৰ্য বৃদ্ধিৰ বাবে সেই সকল ভাৰতীয়ই বিভিন্ন প্ৰকাৰৰ আভূষণ পৰিধানৰ কৰিছিল। সেই যুগৰ ভাৰতীয়সকলে যশস্যাৰ বাবে বিবিধ আভৰণৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। বৈদিক সাহিত্যত ব্ৰাহ্ম বিবাহত পিতৃয়ে কন্যাক বহুতো অলংকাৰেৰে সুসজ্জিত কৰি বিদায় দিয়াৰ প্ৰথাৰ উল্লেখ পোৱা যায় ।বোধায়ণ গৃহ্যসূত্ৰ মতে প্ৰত্যেক ঋতুৰ অলংকাৰ সমূহ প্ৰত্যেক ঋতুৰ আৰম্ভণিতেই পৰিধাৰণ কৰা উচিত।

বিভিন্ন প্ৰকাৰৰ ধাতু নিৰ্মিত আ-অলংকাৰৰ ভিতৰত প্ৰধান স্থান লাভ কৰিছিল সোণ আৰু সোণৰ নিৰ্মাণ কৰা আভূষণসমূহে। সাধাৰণতে সম্ভ্ৰান্ত শ্ৰেণীৰ লোকসকলে ৰূপ, তাম বা অন্য ধাতুৰ অলংকাৰতকৈ সোণৰ অলংকাৰৰ ওপৰতহে গুৰুত্ব আৰোপ কৰিছিল। নাৰী আৰু পুৰুষৰ উভয়েই সোণ আৰু অন্যান্য ধাতুৰ তৈয়াৰ কৰা আভৰণ পিন্ধিছিল। সোণৰ বাবে হিৰণ্য, সুৱৰ্ণম্ আদি শব্দৰ ব্যৱহাৰ কৰা হৈছিল ।ঋকবেদৰ ব্ৰাহ্মণগ্ৰন্থ

*(আঠপৃষ্ঠাত চাওক)*

# অতুলনীয় ধৰা

নিতিস্মান দাস,
সপ্তম শ্ৰেণী




ধৰাখনিত খং নাই সৰ্পৰ সমান,
জলৰ সম নাই ধৰা’ত মূল্যবান।
প্ৰকৃতিৰ সম নাই সেৱাৰ মন,
বিদ্যাৰ সম নাই সত্য মহাধন।
নদীদ্বীপ নাই মাজুলীৰ সম বৰ,
সৰু নদীদ্বীপ নামেৰে প্ৰথম উমানন্দৰ।
প্ৰশান্ত সাগৰৰ সম সাগৰ বৰ নাই,
সুৰীয়া গীত গাই থাকে চৰাই।
মিছিছিপি নদীৰ দৰে নদী বৰ নাই,
নদীৰ প্ৰতিটো টুপালে আনন্দ বিলাই।
সূৰ্য্যৰ সম ধৰা’ত নাই কনক কিৰণ,
ধৰাৰ চিৰন্তন সত্য জীৱৰ মৰণ।
জোনৰ সম নিশাত নাই অন্ধকাৰ হৰা চাকি,
আকাশত মুকুটাৰ দৰে তৰা থাকে জিলিকি।
কিতাপৰ সম ধৰা’ত জ্ঞানী নাই,
শান্তিৰে ভৰপূৰ হৈ থকা গাঁও এখনি ঠাই।
ফুলৰ দৰে সুবাস আৰু অলংকাৰ নাই,
দেৱকন্যাৰ কেশত ফুলে সৌন্দৰ্য বঢ়াই।
বৰ নাই ধৰা’ত হিমালয় সম গিৰি,
সকলোতকৈ উচ্চ মোৰ মৰমৰ জনমভূমি।
মানুহৰ দৰে নাই ধৰা’ত অধম,
শিক্ষা আৰু ভক্তিৰে ভৰপূৰ ধৰম।
সুযোগেৰে ভৰপূৰ হয় কৰম,
মিঠা সম লাগে কৰিলে মৰম।
শত্ৰু নাই ৰোগৰ সমান,
সংসাৰৰ এই মায়াজালৰ পৰা ওলোৱা হয় টান।
উৎসৱৰ দৰে নাই আনন্দৰ বতৰ,
পৰ্বত হয় সুন্দৰ আৰু নিজৰাৰ ঝৰ ঝৰ।
তিতা সম লাগে কলে কথা মিছা,
পখিলা আৰু মৌৰ দৰে নাই ফুলে ফুলে উৰা।
মিঠাফল নাই ধৈৰ্য্যৰ সমান,
মনোবল বঢ়াবলৈ শুনিবা এটি গান।
সিংহৰ দৰে শক্তিশালী, অৰণ্যৰ নাই ৰজা,
সৈনিকৰ দৰে নাই মহান আত্মা।
ধনৰ বাবে মানুহ হয় অহংকাৰী,
ধৰা’ত অধম, অপমানিত কৰিলে নাৰী।
নাৰীৰ সম নাই সৃষ্টিকৰ্তা আৰু জীৱন সংগিনী,
প্ৰতিটো সফলতাৰ কাহিনীত, বিশেষ ভূমিকাত নাৰী।
ৰাছিয়াৰ সম নাই অত্যায়ত দেশ,
আফ্ৰিকাৰ সম নাই প্ৰাকৃতিক পৰিৱেশ।
মাতৃ হয় সকলোৰে জীৱনৰ মহান যুদ্ধা,
পিতৃ হয় বিশেষ বন্ধু, আৰু জন্মদাতা।
আৰক্ষীৰ দৰে দেশত জাগ্ৰত নাই,
সত্য বন্ধু থাকিলে সুখ পদে পদে পাই।
কঠোৰ পৰিশ্ৰমি নাই কৃষকৰ সমান,
হৰে আমাৰ ভোক আৰু, পথাৰত উপচাই ধান।
সময়ৰ দৰে নাই ধৰা’ত গতিশীল,
দিনৰ সম আকাশ নাই নীল।
ঈশ্বৰেই মহান আৰু জগতৰ স্বামী,
কবিতাৰ সম নাই মনৰ প্ৰকাশভংগী।

# অধিক তীব্ৰতৰ হৈছে পৰিবহণ বিভাগৰ 'অল আউট' অভিযান

ৰঙিলী বাৰ্ত্তাসেৱা- যান-বাহনৰ নথিপত্ৰ নৱীকৰণ আৰু বকেয়াসহ যাৱতীয় কৰ পৰিশোধ নকৰা বাহন কোনো কাৰণতে যাতে পথত উঠিব নোৱাৰে তাৰবাবে শেহতীয়াকৈ 'অল আউট' অভিযান আৰম্ভ কৰি অধিক সষ্টম ৰূপত মহানগৰীৰ ৰাজপথত নামিল পৰিবহণ বিভাগৰ বিয়াগোম বিষয়া কৰ্মচাৰীৰ অভিযানকাৰী দল। ৰাতিপুৱাতে বেতকুছিস্থিত পৰিবহণ বিভাগৰ কাৰ্যালয়ৰ সন্মুখত সহকাৰী পৰিবহণ আয়ুক্ত তথা অতিৰিক্ত দায়িত্ববাহী কামৰূপ মহানগৰ জিলা পৰিবহণ বিষয়া গৌতম দাসৰ উপস্থিতিত যানবাহন পৰিদৰ্শক জয়সিং ৰংফাৰ, দুৰ্গা গগৈ, বলেন পাঠকৰ লগতে সহযোগী প্ৰণৱ কলিতা, পংকজ দাস, জোনালী পাটোৱাৰী আৰু মীৰা পাটোৱাৰীসহ বিষয়া-কৰ্মীৰ দলে সৰু বৰ বিভিন্ন বাহনত তালাচী চলায় দীৰ্ঘদিন ধৰি কৰ আদায় নিদিয়াৰ লগতে নথিপত্ৰৰ গুৰুতৰ অপৰাধত ৰচখন বাহন জব্দ কৰে। ইফালে ৰাণী আৰু পামহীৰ বৃহৎ অঞ্চলত জিলা পৰিবহণ বিষয়া (প্ৰৱৰ্তক শাখা) হিমাংশু কুমাৰ দাস, কামৰূপ গ্ৰাম্য জিলাৰ পৰিবহণ বিষয়া ৰূপজ্যোতি কলিতাৰ নেতৃত্বত প্ৰৱৰ্তক পৰিদৰ্শক মোজাম্মিল হুছেইন, পি বি লামাকে ধৰি সহযোগী দলৰ উপস্থিতিত চলোৱা যৌথ তালাচী অভিযানৰ লগতে পানবজাৰ পানী টেংকি অঞ্চলত পৰিবহণ প্ৰাধিকাৰী ৰফিকুল ইছলাম আৰু প্ৰৱৰ্তক পৰিদৰ্শক মৰমী পাঠকৰ উপস্থিতিত চলোৱা তালাচীত দুখন বাহন জব্দ কৰে । উল্লেখ্য যে, মহানগৰীৰ বিভিন্ন ঠাইত বুধবাৰে ১০০০ৰো অধিক বাহনত ব্যাপক তালাচী চলাই ২০০ৰো অধিকৰ বিৰুদ্ধে যানবাহন আইনৰ অধীনত গোচৰ ৰুজু কৰি কামৰূপ মহানগৰ জিলা পৰিবহণ বিভাগে 'অল আউট' অভিযান তীব্ৰতৰ কৰি তোলে। ইফালে কামৰূপ মহানগৰ জিলা পৰিবহণ বিভাগৰ দুটা দলে পৃথকে পৃথকে বিভিন্ন শিক্ষা প্ৰতিষ্ঠানৰ লগতে ব্যৱসায়িক বাহনৰ গৰাকী, ব্যক্তিগত উদ্যোগ-প্ৰতিষ্ঠান আৰু নিৰ্মানকাৰী সংস্থাৰ কাৰ্যালয়ত উপস্থিত হৈ সকলোৰে সুৰক্ষিত যাতায়াতৰ স্বাৰ্থত যানবাহনৰ বকেয়াসহ যাৱতীয় সকলো কৰ আদায় দিয়াৰ লগতে নথিপত্ৰসমূহ নৱীকৰণ কৰিবলৈ কঠোৰ সকীয়নি দিয়ে। সহকাৰী পৰিবহণ আয়ুক্ত গৰাকীয়ে জানিবলৈ দিয়া মতে অনাগত দিনত অভিযান অধিক তীব্ৰতৰ হ'ব।








# যক্ষ্মা ৰোগ আৰু ৰাইজৰ সচেতনা

**ডাঃ যুতিকা ওজা**
**মুৰব্বী অধ্যাপিকা, কমিউনিটি মেডিচিন বিভাগ**
**গুৱাহাটী চিকিৎসা মহাবিদ্যালয়**



সময়ৰ পৰিবৰ্তনৰ লগে লগে আমি প্ৰতিদিনে নতুন নতুন ৰোগৰ নাম শুনিবলৈ পাইছো। এইডছ, লেপটোস্পাইৰোছিছ, কভিড-১৯ ৰোগ, ইবোলা আদি ৰোগৰ আবৰ্ভাৱ হ'ব ধৰিছে। উন্নত চিকিৎসা পদ্ধতি, মানুহৰ সচেতনতা, ৰোগৰ বিষয়ে মানুহৰ সজাগতা আদিৰ ফলত নানান ৰোগৰ ভয়াবহতা আৰু আক্ৰান্তৰ সংখ্যা কমিবলৈ ধৰিছে। প্লেগ, হাইজা, মেলেৰিয়া আদি ৰোগৰ বিষয়ে আজিকালি আমি প্ৰায় নুশুনাই হ'লো। দুই এক মহামাৰী আনকি পৃথিবীৰ পৰা বিলুপ্তও হ'ল।

কিন্তু তাৰ মাজতো প্ৰাচীন কালৰে পৰা দুই এক ৰোগ আছে, যাৰ ভয়াবহতা এতিয়াও বিদ্যমান। তাৰ মাজতে এবিধ ৰোগ হ'ল যক্ষ্মাৰোগ। এই ৰোগত প্ৰাচীন কালৰ পৰা বহুতো লোকৰ মৃত্যু হৈছে। এই ৰোগক বহুতো চিনেমাতো নায়ক-নায়িকাৰ মৃত্যুৰ কাৰণ হিচাপে দেখুৱাইছিল। অতীতৰ পৰাই মানুহৰ ধাৰণা আছিল যে এই ৰোগত আক্ৰান্ত হোৱা মানেই নিৰ্ঘাত মৃত্যু হোৱা আৰু ইয়াৰ কোনো চিকিৎসা নাই। যক্ষ্মাৰ প্ৰতি মানুহৰ এই ধাৰণা এতিয়াও বিশেষ সলনি হোৱা নাই আৰু মানুহৰ মাজত এতিয়াও ভ্ৰান্ত ধাৰণা আছে। এতিয়াও মানুহে যক্ষ্মাৰোগ বুলিলে ভয় খায় আৰু ই পূৰ্বজন্মৰ পাপ কামৰ প্ৰতিফল নাইবা ভগৱানৰ অভিশাপ বুলি ভাবে। এতিয়াও যক্ষ্মা ৰোগত আক্ৰান্ত লোক সমাজত অৱহেলিত হিচাপে গণ্য কৰা হয়। বৰ্তমানেও এই ৰোগৰ আক্ৰান্ত ৰোগীৰ সংখ্যা বহুত বেছি আৰু পৃথিৱীৰ প্ৰথম দহটা মুখ্য ৰোগৰ ভিতৰত এই ৰোগ অন্যতম।

আমাৰ দেশত যক্ষ্মাৰোগৰ দ্বাৰা আক্ৰান্ত লোকৰ সংখ্যা যথেষ্ট বেছি। এতিয়াও প্ৰতিদিনে ১০০০ মানুহ যক্ষ্মাৰোগত আক্ৰান্ত হয় আৰু প্ৰতিবছৰে চাৰি লাখ মানুহৰ এই ৰোগত মৃত্যু হয়। অণুজীৱৰ দ্বাৰা হোৱা এই ৰোগ যিকোনো মানুহৰ হ'ব পাৰে। বেছিক্ষেত্ৰত যক্ষ্মাৰোগৰ জীৱাণুৱে হাওঁফাওঁক আক্ৰামন কৰে। আনহাতে কিছু ক্ষেত্ৰত শৰীৰৰ অন্য অংশ অন্ত্ৰনলী, হাড় আদিও যক্ষ্মাৰোগৰ দ্বাৰা আক্ৰান্ত হয়। হাওঁফাওঁত হোৱা যক্ষ্মা ৰোগ সোঁচৰা আৰু ই আক্ৰান্ত ব্যক্তিৰ পৰা অন্য ব্যক্তিলৈ বিয়পিব পাৰে। হাওঁফাওঁত থকা জীৱাণু ৰোগীয়ে হাঁচিয়ালে বা কাঁহিলে বতাহৰ দ্বাৰা অন্য ব্যক্তিলৈ বিয়পে।


সাধাৰণতে এই ৰোগত আক্ৰান্ত ব্যক্তিৰ অত্যাধিক কাঁহ হয়, সন্ধিয়া সময়ত জ্বৰ উঠে, উশাহ নিশাহত কষ্ট পায়, দুৰ্বল হয়, বুকু বিষায় আৰু দুৰ্বল অনুভৱ হয়। বেছিভাগ ৰোগীৰে শৰীৰৰ ওজন কমি যায়, এলাহ লাগে। কেতিয়াবা কাঁহিলে খেকাৰৰ লগত তেজ ওলোৱা দেখা যায়। শৰীৰৰ গ্ৰন্থিসমূহ ফুলি উঠে সেইবাবে জ্বৰ বা কাঁহ দুসপ্তাহতকৈ বেছিদিন থাকিলে ৰোগীগৰাকীৰ পৰীক্ষা কৰাতো প্ৰয়োজনীয় পৰীক্ষাৰ বাবে চৰকাৰী চিকিৎসালয়ত সকলো ধৰণৰ সুবিধা আছে।

সৰু কালতে লোৱা বিচিজি টীকাই সৰু ল'ৰা ছোৱালীক যক্ষ্মাৰ পৰা পৰিত্ৰাণ দিয়ে, কিন্তু বয়স বাঢ়ি আহিলে যক্ষ্মাৰ পৰা পৰিত্ৰাণ নিদিয়ে। সঠিক চিকিৎসাৰ দ্বাৰা ৰোগী সম্পূৰ্ণৰূপে সুস্থ হয়। কিন্তু যক্ষ্মাৰোগীয়ে দৰৱসমূহ চিকিৎসকে দিয়া ধৰণে খাব লাগে। বহুতে আকৌ অলপ ভাল হোৱাৰ পিছত ঔষধ খোৱা বন্ধ কৰে। চিকিৎসা আধৰুৱা হ'লে বা চিকিৎসা নকৰালে পিছলৈ ই গুৰুতৰ ৰূপ ধাৰণ কৰে। ঔষধ নিয়মিতৰূপে সম্পূৰ্ণভাৱে আৰু উপযুক্ত মাত্ৰাত সেৱণ কৰিলে যক্ষ্মাৰোগ সম্পূৰ্ণৰূপে আৰোগ্য হয়। চিকিৎসকৰ পৰামৰ্শ অবিহনে ঔষধ সেৱণ বন্ধ কৰিব নালাগে। ৰোগী থকা কোঠাত ৰ'দ আৰু বতাহৰ সুচল ব্যৱস্থা থকাটো অতি প্ৰয়োজনীয় ৰোগী গৰাকীৰ খোৱা বোৱাৰ ক্ষেত্ৰত যত্ন লোৱা দৰকাৰ ৰোগী গৰাকীয়েও য'তে ত'তে থু-খেকাৰ পেলাব নালাগে। ধপাত সেৱন বা ধুমপানৰ পৰা ৰোগী গৰাকী আঁতৰি থাকিব লাগে। ঔষধ সেৱন আধৰুৱা কৰিলে সচৰাচৰ যক্ষ্মাৰোগৰ জীৱাণু ঔষধসমূহৰ বিপৰীতে প্ৰতিৰোধ গঢ়ি তোলে। যক্ষ্মাৰোগৰ জীৱাণু কিছুমানেও নিজৰ প্ৰকৃতি সলনি কৰি শেষত গুৰুতৰ ৰোগৰ সৃষ্টি কৰে। এইক্ষেত্ৰত চিকিৎসকৰ দিহা পৰামৰ্শ নিতান্তই প্ৰয়োজনীয়। যিকোনো মানুহৰে এই ৰোগ হ'ব পাৰে। যদিও দুখীয়া মানুহ এই ৰোগৰদ্বাৰা বেছিলৈ আক্ৰান্ত হোৱা দেখা যায়। সাধাৰণতে বস্তি অঞ্চল, আদিৰ লগতে ঘন জনবসতি থকা অঞ্চলসমূহৰ লোকৰ মাজত এই ৰোগৰ প্ৰাদুৰ্ভাৱ বেছি। এইডছ আক্ৰান্ত ৰোগী

( নপৃষ্ঠাত চাওক)

# এটা হাঁহি সকৰাত্মকতা

**ববিতা বৰা**




ক'ম ক'ম বুলি কোৱাই নহ'ল তেওঁক মনৰ কথা বা সোধা নহ'ল তেওঁৰ মনৰ কথা ।হয়তো সিমান খিনি সুযোগ তেওঁ মোক নিদিলে বা মইও জানিবলৈ নকৰিলো ইচ্ছা..। বহুবাৰ ভাৱিছিলো, তেওঁক মই কিবা এষাৰ কওঁ..সাহস নহ'ল। কথাবোৰ কথা হৈয়েই চকুত থাকি গ'ল। মোৰ একান্ত ইচ্ছা আছিল তেওঁ যাতে পঢ়ি চাই মোৰ চকুৰ গভীৰতা, কাজল দুচকুৰ আৰঁৰ আকুলতা, নতুনকৈ সানিবলৈ লোৱা লিপষ্টিকটোৰ আৰঁৰ ওঠৰ গোপনীয়তা। কেতিয়াবা অস্থিৰতাত ভুগো। মনৰ কথাবোৰ মনতেই কঢ়িয়াই ফুৰিবলৈ কষ্ট হয়। চঞ্চলতা নাই, মই জানো এইয়া ভালপোৱা নহয়। তথাপি ভাল লাগে এই ভাল লগাবোৰ। মোৰ কল্পনাৰ জগতখনত মই তেওঁৰ বাবে সাচি-কাচি ভাল পাওঁ। মই কল্পনা কৰো, তেওঁৰ দুচকুৰে যেন মোক চাইছে, এটা মিচিকিয়া হাহিঁৰে মোক কাণে কাণে বজাই গৈছে মই শুনিব খোজা শব্দৰ ঝংকাৰ.. মই নাজানো কি দৰে প্ৰত্যুত্তৰ দিম, কি দৰে উপস্থাপন কৰিম তেওঁৰ ওচৰত নিজকে। মই নিৰ্বাক। আৰু এই নিৰ্বাকতা মোৰ খুবেই প্ৰিয়। মই আচৰিতো হওঁ। মোৰ দৰে দৃঢ় মনৰ মানুহক এইদৰে গলাব পৰা শক্তি কাৰোবাৰ আছে, মই ভৱা নাছিলো ।মই কোনোদিন ব্যাহিকতাত ভুল যোৱা নাই, জুখি চোৱা নাই সুন্দৰতা। নাজানো.. তেওঁৰ হাঁহিত কি আছে এনে সকৰত্মকতা, যি মোক বাৰম্বাৰ আকৰ্ষণ কৰে তেওঁৰ কাষলৈ। এনে শক্তি খুউব কমৰহে আছে।....জানো। এইয়া ভালপোৱা নহয়। এইয়া কোনো চপলতা বা বয়সৰ ভুল নহয়। এই অনুভৱ সন্তীয়াও নহয়। হৃদয়ৰ এই টান ৰ বাবে কি সংজ্ঞা আছে, মই নাজানো। মই মাথো জানো, তেওঁৰ উপস্থিতিত মই নিজকে সজাই ভালপাওঁ। কামনা কৰো, মোৰ আচলঁৰ সূতা তেওঁৰ হাতত লাগি বৈ যাওঁক সময়, বতাহৰ ৰাগীত উতনুৱা হওঁক মোৰ বাউলী চুলি আৰু মই যেন মাথো চাই ৰওঁ তেওঁক। তেওঁ হাহঁক প্ৰাণখুলি, আৰু মই বুটলি ল'ম তেওঁৰ হাহিঁত সৰি পৰা সকৰাত্মকতাৰ একুকি ফুল। তেওঁ মোৰ পৰা দূৰ। যথেষ্ঠ দূৰ। তেওঁক পোৱাৰ ইচ্ছা তিলমানেও মোৰ নাই, তেওঁক এটা আৱেষ্টনীত ভৰাই ৰখাৰ কথা মই সপোনতো ভৱা নাই। মই জানো, এপাহ ফুল বাগিছাতে ভাল লাগে, হাতত ল'লেই সৰি পৰে তাৰ সুকুমল পাহি আৰু বিনষ্ট হৈ পৰে সকৰাত্মকতাৰ সুগন্ধি। মই মুক্তমনে পখিলা হৈ উৰিয়েই

( নপৃষ্ঠাত চাওক)

# ধিক্কাৰ এই শিক্ষা ব্যৱস্থা

**জয়ন্ত কলিতা**
**ৰঙিয়া (তুলসীবাৰী)**



শিক্ষা মানৱ জীৱনৰ এক গুৰুত্বপূৰ্ণ অংশ। শিক্ষাৰ উদ্দেশ্য হৈছে মানুহৰ মন মগজুৰ উৎকৰ্ষ সাধন কৰা লগতে ছাত্ৰ- ছাত্ৰীৰ শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধন কৰি ভৱিষ্যতৰ বাবে গঢ় দিয়া। পিছে বৰ্তমান সময়ত শিক্ষা নম্বৰৰ এখন প্ৰতিযোগিতা হৈ পৰিছে। শিক্ষা ব্যৱস্থাৰ উদ্দেশ্য এতিয়া কেৱল মাথো ফলাফল। কেইজনমান সাহিত্যিকে লিখি থৈ যোৱা কেইটামান অধ্যায়ৰে গঢ়ি টোলা এখন কিতাপ আৰু সেই অধ্যায় কেইটামানৰ আশ্ৰয় গ্ৰহণ কৰি মাহে মাহে এটা এটা পৰীক্ষা অনুষ্ঠিত কৰা ব্যৱস্থাই হ'ল আজিৰ আমাৰ শিক্ষা ব্যৱস্থা।

আজিৰ শিক্ষা ব্যৱস্থাই ছাত্ৰ- ছাত্ৰীক ভৱিষ্যতৰ বাবে সাজু কৰা নাই। আজিৰ শিক্ষা ব্যৱস্থাই ছাত্ৰ- ছাত্ৰীক কেৱল কালিৰ পৰীক্ষাত ভাল নম্বৰৰ তালিকা এখন পাবলৈহে সাজু কৰিছে। নম্বৰ কেন্দ্ৰীক শিক্ষা ব্যৱস্থাই ছাত্ৰ- ছাত্ৰীৰ মন মগজুৰ ওপৰত নম্বৰৰ মানসিক চাপ প্ৰয়োগ কৰিছে। ছাত্ৰ- ছাত্ৰীৰ ভিতৰত লুকাই থকা সুপ্তপ্ৰতিভা সমূহক গোপনে হত্যা কৰিছে। যাৰ বাবে আজি আমাৰ দেশত লাহে লাহে ভাল খেলুৱৈ, ভাল গায়ক, ভাল কবি, আদিৰ অভাৱ হৈছে। আজিৰ সমাজত মেধাৰ সংখ্যা বাঢ়িছে মাথো নম্বৰৰ তালিকা ভিত্তিত।

উল্লেখ যোগ্য যে মুদলিয়া আয়োগে আজিৰ এই প্ৰচলিত শিক্ষা বাৰস্থাক

( নপৃষ্ঠাত চাওক)


অসম চৰকাৰ
সদ্ভাৱনা প্ৰকল্প
জনসাধাৰণৰ সুবিধাৰ্থে
অসম চৰকাৰৰ বিনম্ৰ প্ৰয়াস
sadbhavana.assam.gov.in
rtps.assam.gov.in
আবেদনৰ অন্তিম তাৰিখ
৩১ মাৰ্চ ২০২২
অসম সচিবালয়ত ক্ষিপ্ৰ গতিত ফাইল নিষ্পত্তিকৰণৰ দিশত অসম চৰকাৰৰ বিশেষ পদক্ষেপ
২০২১ চনৰ ১০ মে'লৈকে নিষ্পত্তি নোহোৱাকৈ থকা সকলো বিভাগৰ ফাইলৰ নিষ্পত্তিকৰণ
২০২২ চনৰ ১৪ আগষ্টৰ ভিতৰত সম্পূৰ্ণ হ'ব নিষ্পত্তিৰ কাম
JANASANYOG- 4011/21
সদ্ভাৱনা প্ৰকল্পৰ তিনিটা অংগ
• ক্ষিপ্ৰ গতিত ফাইল নিষ্পত্তি
• স্বচ্ছ ভাৰত অভিযান
• ই-অফিচ ব্যৱস্থাপনা
অমীমাংসিত ফাইল নিষ্পত্তিৰ আবেদনৰ বাবে ৱেবছাইট
rtps.assam.gov.in অথবা
sadbhavana.assam.gov.in
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Follow us /@diprassam
https://dipr.assam.gov.in/

# যৌৱন প্ৰাপ্তিৰ আগত

নেলু (larynx) ডাঙৰ হৈ মাতৰ পৰিবৰ্তন হয়, দাড়ি ঠুঁটিয়াই, ডিঙি আৰু হাত ভৰিবোৰ দীঘল হয়, কিন্তু মূৰটো আৰু গাটো আপেক্ষিকভাৱে কমকৈ ডাঙৰ হয়, ছালৰ ফুটাবোৰ ডাঙৰ হয়, শৰীৰৰ নানা প্ৰকাৰৰ মাংসগ্ৰন্থিবোৰ (gland) সক্ৰিয় হয়, মুখত শালমইনা উঠে। তাৰ ফলত ল'ৰাই সাধাৰণতে কিছু মানসিক আতংকত ভোগে। নিজকে বাৰে বাৰে আয়নাত চাব খোজে। মনৰ ভিতৰত ডাঙৰ হোৱাৰ উদ্বিগ্নতা, ডাঙৰ হৈ দায়িত্ব লোৱাৰ ভয় ওপজে। নিজৰ মনৰ ভিতৰতে সিহঁতৰ বিভিন্ন ভাবৰ জোৱাৰ উঠে। কেতিয়াবা শৈশৱৰ সৰল সোণালী দিনবোৰলৈ ঘুৰি যাব খোজে। সেয়ে কেতিয়াবা সিহঁতে শিশুৰ দৰে আচৰণ কৰে। কেতিয়াবা আকৌ নিজকে ডাঙৰ হোৱা যেন ভাবি বহুত গহীন-গপচ হৈ পৰে। আকৌ এই সময়তে সিহঁতে ভাবিব পৰা, যুক্তি দিব পৰা ক্ষমতা লাভ কৰে, কল্পনাশক্তিও প্ৰবল হয়। ইচ্ছাৰ বিপৰীতে হোৱা যিকোনো কথা বা কামত ভীষণ জেদ ধৰা দেখা যায়। নিজৰ দৈহিক পৰিবৰ্তনৰ কাৰণে নিজকে চিনিবলৈ বা বুজিবলৈ অনুসন্ধিৎসু হৈ পৰে, সেয়ে কেতিয়াবা উদাসীন কেতিয়াবা চিন্তাক্লিষ্ট হৈ পৰা দেখা যায়। এইবোৰ কিছুমান কৈশোৰ মনোজগতৰ স্বাভাৱিক বৈশিষ্ট্য। কৈশোৰৰ মনোজগতৰ এই জটিল সময়চোৱাত তেওঁলোকে পিতৃ-মাতৃ, ককাই-ভাই, বাই-ভনীতকৈ কাণ-সমনীয়াৰ সতে থাকি বেছি ভাল পায়। বিশ্বস্ত বন্ধুৰ সতে থাকি হাঁহি-কান্দোন, প্ৰয়োজন বিলাকৰ প্ৰতি সমবেদনা আৰু সহানুভূতিশীল হয়। বন্ধুৰ সহায়ত নিজকে চিনিবলৈ আৰু বুজিবলৈ সুবিধা পালে নিজৰ ভুল ধাৰণা শুদ্ধৰোৱাৰ সুবিধা পায়। এই বয়সত কাণ-সমনীয়াৰ লগেহে কিশোৰক সুস্থভাৱে ডাঙৰ হোৱাত সহায় কৰে। কিন্তু বেছি অভিজ্ঞ , বয়সত ডাঙৰ কোনো কু-সংগত পৰিলে কোমলমতীয়া সকলৰ অভাৱনীয় ক্ষতি কৰিব পাৰে। কিন্তু, তাতো এটা কথা আহি পৰে। মুকলিকৈ খেলা-ধূলা, সভা-সমিতি, উৎসৱ-পাৰ্বণ আদিলৈ যোৱাৰ বাদে অন্য সময়ত গোপন কক্ষত বহুপৰ কান-সমনীয়াৰে থকাটোও অপকাৰী হয়। এইটো সময়ত ঘৰত, স্কুলত, বাহিৰত এক সুস্থ পৰিবেশৰ লগতে উচিত অনুচিতৰ এটা নিৰ্ধাৰিত সীমাৰেখা থাকিব লাগে। কাঢ়া শাসন নহয়, কিন্তু শাসনবিহীন মৰমো অপকাৰী হয়। বন্ধুত্বৰ ক্ষেত্ৰত বয়সৰ সংমিশ্ৰণেও কু-প্ৰভাৱ পেলায়। সলিংগ-সংগমীৰ জুলুমো বয়সৰ সংমিশ্ৰণৰে কু-প্ৰভাৱ। এই সম্পৰ্কে আমাৰ সমাজত চিন্তিত আলোচনা কম দেখা যায়। ১৬ বছৰৰ তলৰ ল'ৰা-ছোৱালীৰ লগত যিকোনো যৌনক্ৰিয়া আইনমতে দণ্ডনীয়। এনে যৌনক্ৰিয়াক যৌনজুলুম বুলি কোৱা হয়। আজি-কালি চেক্সচুৱেল হাৰাচমেণ্ট আইন অতি বিশদ আৰু দণ্ডও অতি কঠোৰ। তথাপি নিলাজৰ দৰে একশ্ৰেণীৰ মানুহে এনে অপৰাধ কৰিয়েই আছে। সেয়ে ল'ৰা-ছোৱালীক এনে যৌন জুলুম কি আৰু কেনেকৈ সেইবোৰৰ প্ৰতিবাদ কৰিব লাগে তাৰ কিছু কিছু ধাৰণা দিয়া দৰকাৰ।অভিভাৱকে নিজৰ ল'ৰা-ছোৱালীক ডাঙৰে কেনেকৈ ফুচুলাব পাৰে কৈশোৰ কালত অলপ অলপকৈ শিকাব লাগে। পিতৃ-মাতৃয়ে একদম সিহঁতৰ বন্ধুৰ দৰে হৈ সিহঁতৰ সতে পাৰ কৰা সময়বোৰ সিহঁতৰ মতেই ৰসাল আৰু জীপাল কৰি ল'ব লাগে। পিতৃ-মাতৃয়ে নিজৰ বন্ধুমহলৰ সতে (নিজৰ ঘৰত) আনন্দ-ফুৰ্তি কৰিবলৈ লৈ কৈশোৰক কেতিয়াও-'দেহা তুমি অলপ ভিতৰলৈ যোৱা-'ৰ দৰে কথা ক'ব নালাগে। যিটো কথা বা কাম ল'ৰা-ছোৱালীৰ আগত কৰিব নোৱাৰি সেইটোৰ পৰা অভিভাৱকো আঁতৰি থকাই শ্ৰেয়। আমাৰ উপৰি পুৰুষে সন্তানক ব্ৰহ্মচৰ্যব্ৰত পালন কৰাইছিল। কিন্তু বৰ্তমান এই এৰাল নোহোৱা যুগত সেইয়া সম্ভৱ নহয়। তথাপি তেওঁলোকৰ অভিজ্ঞতাৰ সৈতে খাপ খুৱাই, সংস্কৃতিৰ সৈতে সামঞ্জস্য ৰাখি সুচিন্তিত যৌন শিক্ষা দিয়াৰ প্ৰয়োজনীয়তা আছে। আন এটা কথা সৰু ল'ৰা-ছোৱালীক বৰ্ডিং স্কুললৈ পঠোৱাৰ আগতে সেই স্কুলত যৌন জুলুমৰ বিপক্ষে কি ব্যৱস্থা আছে জানি লোৱাটো ভাল। কৈশোৰ প্ৰাপ্তিৰ সময়ত খাদ্যাভ্যাসৰো যথেষ্ট গুৰুত্ব আছে বাঢ়ন কালৰ খাদ্যত ফল-মূল, শাক-পাচলি, গাখীৰ আদিৰ পৰিমাণ বঢ়াই অধিক মচলাযুক্ত খাদ্য কমাই দিলে ভাল। সাত্বিক আহাৰে মন-মগজু শীতল কৰে। এই এৰাল নোহোৱা সমাজ ব্যৱস্থাত আমাৰ বৰ্তমান প্ৰজন্মক মানৱ-সম্পদ ৰূপে গঢ়ি বলৈ লওতে অভিভাৱকৰ ওপৰত ভয়ানক গধুৰ দায়িত্ব আহি পৰিছে। প্ৰচাৰ মাধ্যমে শোষণৰ কাৰণেই যৌন আবেগক সদায় উচ্চশিখৰত ৰাখি মুকলি প্ৰকাশ কৰে। আনহাতে দেশৰ এনে পৰিস্থিতিত শিক্ষা দানত কৈশোৰক স্মাৰ্ট ফোন জৰুৰী হৈ পৰিছে। পঢ়া বাদ দি বহু কিশোৰে ইয়াৰ অসৎ ব্যৱহাৰ কৰাও পৰিলক্ষিত হৈছে। বিশেষকৈ চাকৰিয়াল মাতৃসকলৰ বাবে ই এক সমস্যা ৰূপে দেখা দিয়ে। সেই ক্ষেত্ৰত ল'ৰা-ছোৱালীৰ সন্মুখত কিছু কাঢ়া হোৱাটো প্ৰয়োজন বুলি ভাবো।সিহঁতক ভালকৈ বুজাই ক'ব লাগে যে সকলো বস্তুতে ভাল-বেয়া দুটা দিশ থাকিবই। স্মাৰ্ট ফোনটোতো শিক্ষা, সৌন্দৰ্যৰ লগতে কিছুমান চাব নলগীয়া কথাও থাকিব। মৌ-মাখিৰ দৰে সদায় ভাল খিনি বিচাৰিলে জীৱনটো ভালৰ পৰা ভাললৈ যাব আৰু বেয়াখিনি খুচৰি বিচাৰিলে অধ:পতন হ'ব। কাৰণ সন্তানক মানুহ কৰিবলৈ হ'লে মৰমৰ মাজতে শাসন কৰিবই লাগিব। সময়-সাপেক্ষে অলপ কঠোৰ হ'বও লাগিব। বৰ্তমান এই জটিল যুগত আমি চলে-বলে হলেও সন্তানক এটা সংস্কৃত, শক্তিশালী মন দিব পাৰিব লাগিব, যিটো মনে সদায় ভাল চোৱা, ভাল শিকাৰ প্ৰতিহে আগ্ৰহী হয়। প্ৰয়োজন সাপেক্ষে মুকলিকৈ বুজাই ক'ব লাগে যে মন আৰু শৰীৰত ভাল লগা কিছুমান কামৰ পৰিণতি বহুত ক্ষতিকাৰক হ'ব পাৰে ভৱিষ্যতে মানুহৰ জীৱনত।

# বৈদিক সাহিত্যত অলংকাৰ

ঐতৰেয় ব্ৰাহ্মণত 'ৰূপম্ হিৰণ্যম্' আৰু 'যশোবৈ হিৰণ্যম্' বুলি সোণৰ উচ্চস্থানৰ বিষয়ে ঘোষণা কৰা হৈছে। এই ব্ৰাহ্মণ গ্ৰন্থত ৰূপ আৰু যশৰ স্বৰূপ সোণ বুলি কোৱা হৈছে। সোণক সৌন্দৰ্য আৰু যশ বৃদ্ধিৰ হেতু বুলি স্বীকাৰ কৰি এই বেদৰেই আনখন ব্ৰাহ্মণ গ্ৰন্থ কৌষীতকি ব্ৰাহ্মণে সোণ পিন্ধাৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব প্ৰদান কৰিছে। সত্য বাক্যৰ সমান স্থান প্ৰদান কৰা হৈছে সোণ আৰু সোণৰ নিৰ্মিত অলংকাৰক। "সত্যমেৱ বদেত্ হিৰণ্যম্ চ বিভ্ৰিয়াত।" সোণক উচ্চ শ্ৰেণীৰ সাধাৰণতে ৰজা সকলৰ প্ৰতীক ৰূপে গণ্য কৰা হৈছিল। দেখা যায় যে উচ্চ শ্ৰেণীৰ সম্ভ্ৰান্ত লোকসকলেহে সোণৰ অলংকাৰৰ অধিক ব্যৱহাৰ কৰিছিল । কৃষ্ণযজুৰ্বেদৰ ব্ৰাহ্মণ গ্ৰন্থ শতপথ ব্ৰাহ্মণত সোণক ক্ষত্ৰিয়ৰ স্বৰূপ ৰূপে সন্মান প্ৰদান কৰা হৈছে। "ক্ষত্ৰিয়্যস্য এতদ্ ৰূপম্ যদ্ হিৰণ্যম্।"এই ব্ৰাহ্মণ গ্ৰন্থতেই অভিষিক্ত ৰজাৰ চাৰিও গৰাকী ৰাণীয়ে সোণৰ আ-অলংকাৰ, কণ্ঠহাৰ আদি পৰিধাৰণৰ তথ্য পোৱা যায়। উৎসৱৰ সময়তো সোণৰে নিৰ্মিত অলংকাৰ পৰিধান কৰাতো মঙ্গলজনক বুলি বৈদিক ভাৰতীয়সকলে বিবেচনা কৰিছিল। শাংখায়ণ গৃহ্যসূত্ৰত সীমান্তোন্নয়ন উৎসৱত সন্তানসম্ভৱা গৰাকীক সোণৰ বহুতো অলংকাৰ পৰিধাৰণৰ কৰিবলৈ উপদেশ প্ৰদান কৰা হৈছে ।

বৈদিক সাহিত্যত উপলব্ধ কেইবিধমান বিশেষ অলংকাৰৰ ভিতৰত প্ৰথমতে নাম ল'ব লাগিব নিষ্ক নামৰ সোণৰ মুদ্ৰাৰে নিৰ্মাণ কৰা অলংকাৰৰ নাৰী আৰু পুৰুষ উভয়েই এই বহুচৰ্চিত কণ্ঠহাৰ পৰিধাৰণ কৰিছিল। নিষ্কক সৌন্দৰ্য বৃদ্ধিৰ প্ৰধান আভুষণ হিচাপে গণ্য কৰা হৈছিল। শুক্ল যজুৰ্বেদৰ ভাষ্যকাৰ মহীধৰৰ মতানুসৰি অশ্বমেধ যজ্ঞত অভিষিক্ত ৰজাক অধ্বৰ্যু নামৰ পুৰোহিত যজ্ঞৰ প্ৰাৰম্ভতেই ডিঙিত নিষ্ক পিন্ধাই দিয়াৰ এক প্ৰথা আছে। সেই সময়ত অলংকাৰৰ ক্ষেত্ৰত সোণৰ পিছতেই স্থান অধিকাৰ কৰিছিল ৰূপৰ অলংকাৰে। শতপথ ব্ৰাহ্মণত সোণ আৰু ৰূপৰ অলংকাৰৰ উল্লেখ পোৱা যায়। উচ্চ আৰু মধ্যবৰ্গৰ মহিলাসকলেও সোণৰ লগতে ৰূপৰ অলংকাৰ পৰিধাৰণ কৰিছিল। সামবেদৰ অন্যতম ব্ৰাহ্মণ গ্ৰন্থ পঞ্চবিংশ ব্ৰাহ্মণত ৰূপেৰে তৈয়াৰী নিষ্ক বৰ্ণনাও পোৱা যায়। কাত্যায়ন শ্ৰৌতসূত্ৰ মতানুসৰি ব্ৰাত্যষ্টোমত গৃহপতি হোৱা ব্ৰাত্যজনে ৰূপৰ নিষ্ক পৰিধাৰণ কৰিব লাগে । শুক্লযজুৰ্বেদৰ অন্য এজন ভাষ্যকাৰ উবটে তেওঁৰ ভাষ্যত 'দাক্ষায়ন' নামেৰে অন্য এবিধ সোণৰ অলংকাৰৰ বিষয়ে উল্লেখ কৰিছে । গৃহ্যসূত্ৰসমূহে মত পোষণ কৰে যে স্নাতকজনে সোণৰ অলংকাৰ সমূহ পিন্ধাৰ যুক্তিসংগত। পশুৰ সৌন্দৰ্য বৃদ্ধিৰ বাবেও সুবৰ্ণেৰে পশুকো সজোৱা হৈছিল ।সাধাৰণতে পশুৰ শিং আৰু ডিঙিত অলংকাৰ পিন্ধাই দিয়া হৈছিল। বৈদিক সাহিত্যতেই উপলব্ধ আন এবিধ স্বৰ্ণাভূষণ হৈছে ৰুক্ম। ঘূৰণীয়া আকৃতিৰ এই অলংকাৰবিধ বক্ষৰ শোভা বৰ্ধনৰ বাবে ব্যৱহৃত হৈছিল ।আপস্তম্ভ শ্ৰৌতসূত্ৰ আৰু বোধায়ণ শ্ৰৌতসূত্ৰ সোণ আৰু ৰূপৰ ৰুক্মৰ উল্লেখ পোৱা যায়। সোণ আৰু ৰূপৰ মণিৰ সেই যুগত ব্যৱহাৰ হৈছিল। আপস্তম্ভ শ্ৰৌতসূত্ৰ হাজাৰ- হাজাৰ সোণ আৰু ৰূপৰ মণিৰ বিষয়ে উল্লেখ কৰা হৈছে। তদুপৰি ৰক্ষাকৱচৰ নিৰ্মাণৰ বাবেও মণিৰ ব্যৱহাৰ কৰা হৈছিল। সমাৱৰ্তন সমাৰোহত স্নাতকজনে মণি পৰিধাৰণ কৰাৰ বৰ্ণনাও পোৱা যায়। গৃহ্যসূত্ৰসমূহৰ মতানুসৰি এই আভুষণ বাওঁকান্ধত অথবা ডিঙিত পিন্ধা হৈছিল।

বৈদিক কালত স্ৰজ অৰ্থাৎ মালা আছিল শৰীৰৰ সৌন্দৰ্য বৃদ্ধিকাৰী অন্যতম আভুষণ।কাত্যায়ন শ্ৰৌতসূত্ৰানুসাৰে বাজপেয় যজ্ঞত সোমৰস নিষ্কাষন আগতে পুৰোহিত, যজমান আৰু তেওঁৰ পত্নীয়ে সোণৰ স্ৰজ পৰিধাৰণ কৰা উচিত। গোভিল গৃহ্যসূত্ৰৰ মতে এজন স্নাতকে গোন্ধহীন ফুলৰ মালা পিন্ধাতকৈ সোণৰ মালাহে পৰিধাৰণ কৰা উচিত । ঐতৰেয় ব্ৰাহ্মণত বল, খালি, শৃংগ ইত্যাদি আভুষণৰ উল্লেখ পোৱা যায়। বল আৰু খাদি বাহুৰ অলংকাৰ, তাৰ বিপৰীতে শৃংগ নামৰ আভুষণ মুকুটত ধাৰণ কৰা হৈছিল। তদুপৰি বিভিন্ন প্ৰকাৰৰ ৰত্নৰ বিষয়েও বৈদিক সাহিত্যৰ পৰা জ্ঞান লাভ কৰিব পাৰি। শতপথ ব্ৰাহ্মণত এশ-এটা মুকুতাৰে তৈয়াৰ কৰা ডিঙিৰ হাৰ বিশেষ তথ্য পোৱা যায়। আপস্তম্ভ শ্ৰৌতসূত্ৰত অশ্বমেধ যজ্ঞৰ বৰ্ণনাৰ প্ৰসংগত হাজাৰ মুকুতাৰ উল্লেখ কৰা হৈছে। কাণৰ শোভা বৰ্ধনৰ বাবেও বৈদিক ভাৰতীয়সকলে বিভিন্ন কৰ্ণাভূষণৰ ব্যৱহাৰ কৰিছিল।গৃহ্যসূত্ৰ আৰু শ্ৰৌতসূত্ৰসমূহত 'প্ৰৱৰ্ত' নামৰ কাণৰ অলংকাৰৰ উল্লেখ পোৱা যায়। একপ্ৰকাৰৰ শ্ৰৌতযজ্ঞত এই অলংকাৰ যজমান পিন্ধাটো সেই সময়ত নিয়ম আছিল। সমাৱৰ্তন সমাৰোহত স্নাতকজনেও কৰ্ণাভূষণ পৰিধাৰণ কৰিছিল। বৈদিক ভাৰতত বৰ্তমানৰ দৰেই ফুলে প্ৰসাধন প্ৰধান ভূমিকা অধিকাৰ কৰিছিল। সেই যুগতো ফুলৰ আভুষণ তৈয়াৰ কৰি পৰিধাৰণ কৰাৰো এক প্ৰথা আছিল। মালা সাধাৰণতে পুৰুষসকলেহে পিন্ধিছিল। ঋকবেদৰ অশ্বিনীযুগলক পদুম মালা পিন্ধাৰ বাবেই 'পুষ্কৰস্ৰজ' আখ্যা প্ৰদান কৰা হৈছে। সমাৱৰ্তন সমাৰোহত স্নাতকজনে ফুলৰ

# যক্ষ্মা ৰোগ

ধপাত সেৱনকাৰী আৰু পুষ্টিহীনতাত ভোগা ৰোগী অতি সোনকালে যক্ষ্মাৰোগৰ দ্বাৰা আক্ৰান্ত হোৱা দেখা যায়।

বহুক্ষেত্ৰত দেখা যায় যে যক্ষ্মাৰোগীগৰাকীৰ ঘৰৰ মানুহৰ লগত চুবুৰীয়া মানুহেও অৱহেলা কৰে আৰু ভয় খায় যে ৰোগীগৰাকীৰ ওচৰলৈ গ'লেই এই ৰোগ হ'ব। এটা সময়ত যক্ষ্মা ৰোগাক্ৰান্ত ৰোগীৰ পৰিয়ালৰ সমাজৰ পৰা এঘৰীয়া পৰ্য্যন্ত কৰিছিল। ৰাজহুৱা কাম-কাজত অংশগ্ৰহণ কৰিব নিদিছিল আৰু ৰাজহুৱা পুখুৰীৰ পানী পৰ্য্যন্ত ব্যৱহাৰ কৰিব নিদিছিল। তাৰ ফলস্বৰূপে বহুতে আক্ৰান্ত হ'লেও সমাজত লুকুৱাই ৰাখিছিল। ফলস্বৰূপে, উপযুক্ত চিকিৎসাৰ অভাৱত ৰোগীসকলৰ কৰুণ মৃত্যু হৈছিল। কিন্তু দিন বাগৰাৰ লগে লগে আৰু বিজ্ঞানৰ চমকপ্ৰদ উন্নতিৰ বাবে যক্ষ্মা ৰোগৰ চিকিৎসা আজি সহজলভ্য হৈছে। মানুহৰ মাজত সচেনতা বৃদ্ধি পাইছে। কৰমৰ্দন কৰিলে, ৰোগীয়ে ব্যৱহাৰ কৰা বাচন বৰ্তন ভালদৰে ধোৱাৰ পিছত, একে কাপোৰ ব্যৱহাৰ কৰিলে, ৰোগীৰ বিচনা চুলে আদিকাৰ্য্যৰ দ্বাৰা এই ৰোগ নিবিয়পে।

উন্নত চিকিৎসা আৰু ৰাইজৰ সহযোগ যক্ষ্মা ৰোগ নিয়ন্ত্ৰণৰ মূল চাবিকাঠী। প্ৰাৰম্ভিক পৰ্য্যায়ত ৰোগ নিৰূপণ, চিকিৎসকৰ দিহামতে ঔষধ সেৱন আৰু স্বাস্থ্য সন্মত জীৱনশৈলীৰ দ্বাৰা আমি নিশ্চিতভাৱে এদিন যক্ষ্মা ৰোগক পৰাভূত কৰিব পাৰিম।

# এটা হাঁহি

ভাল পাওঁ। তেওঁৰ ঘ্ৰাণৰে নিজেই সৌৰভ বিলাই আনন্দিত হওঁ। মুঠতে মোৰ ভাল লাগে তেওঁক। সীমাহীন ভাৱে.. তেওঁৰ বিষয়ে জনাত মোৰ ইচ্ছা নাই। তেওঁৰ ভাললগা বা বেয়ালগাৰ হিচাপ ৰাখিবলৈও মোৰ মন নাই ।মই তেওঁৰ অস্তিত্ব টোক কল্পনাৰ সাগৰতেই ভাল পাই ভাললাগে। অত্যাধিক খুচৰি থাকি সত্যৰ তিক্ততা সামৰিবলৈ মই নিবিচাৰো। মই জানো, মোৰ মনৰ আউসীত তেওঁ এটা জোনাকী পৰুৱাহে মাথোন। জোন হ'বলৈ না তেওঁৰ কাহানিবাও ইচ্ছা, না মোৰ কামনা..। তথাপি, কল্পনাক জানো বান্ধিব পাৰি? যি কল্পনাত মই সুখী হ'ব পাৰিছো, সেই কল্পনা জানো মই নকৰিম?।। দুচকুত এসোপা অপ্ৰকাশিত কথা লিখি মই তেওঁ লৈ আজিও চাইছো, সদায় চোৱাৰ দৰেই। সদায়ৰ দৰে আজিও, তেওঁ পঢ়ি চাব নোৱাৰিলে মই ক'ব খোজা কথাবোৰ ।কথাবোৰ বৈ গ'ল এইদৰে..কথা হৈয়েই..। মোৰ আক্ষেপ নাই তথাপি তেওঁ এবাৰ মোক পঢ়ি চোৱাটো মোৰ অন্তৰৰ কোনোবা এচুকৰ পৰা মই নিবিচৰাও নহয়। তেওঁক পোৱাৰ আক্ৰোশো নাই মোৰ, আনহাতে এই অনুভৱত আত্মবিভোল হোৱাৰ ৰাগীও মই এৰিব নোখোজো। সচাঁয়েই..এটা হাহিঁয়েই বিয়পাব পাৰে অনেক হাঁহি। তেওঁৰ দৰেই। নহয়নে?

# ধিক্কাৰ এই

যান্ত্ৰিক, পুথিগত আৰু একঘেয় বুলি অভিহিত কৰি এনে শিক্ষাই শিক্ষাৰ্থীৰ লক্ষ্য পূৰণত বাধাৰ সৃষ্টি কৰে বুলি কয়। মুদলিয়া আয়োগে আঙুলিয়াই দিছিল যে এই শিক্ষা ব্যৱস্থা সম্পূৰ্ণ পৰীক্ষাকেন্দ্ৰিক, পাঠ্যক্ৰমৰ অতিৰিক্ত বোজা, শিকন পদ্ধতি বিজ্ঞানসন্মত নহয় আৰু শিক্ষাৰ্থীক লক্ষ্যত উপনীত কৰোৱাত ব্যৰ্থ হৈছে বুলিও উল্লেখ কৰিছে।

ভাৰতবৰ্ষত ২০০৯ চনত গৃহীত বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ আইনৰ ২১A অনুচ্ছেদ অনুসৰি ৬১ পৰা ১৬ বছৰ পৰ্য্যন্ত চৰকাৰী বিদ্যালয়ত শিশুৰ বাবে শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰা হয়। বেচৰকাৰী বিদ্যালয়সমূহেও তেওঁলোকৰ ২৫% শিশুক এই সুবিধা দিয়াতো বাধ্যতামূলক কৰা সত্ত্বেও আজি বহু ল'ৰা ছোৱালীয়ে বিদ্যালয় ত্যাগ কৰিছে। আন্তৰাষ্ট্ৰীয় শ্ৰমিক সন্থাৰ**শচঞ্জঞ্জঞ্জঞ্জঞ্জঞ্জগ্ন** ২০১৭ চনৰ বিশেষ প্ৰতিবেদন অনুসৰি **৭ পৰাৰ ৭ বয়স**ৰ ১২.৯ মিলিয়ন ভাৰতীয় ল'ৰা -ছোৱালী এতিয়াও বিভিন্ন কৰ্মত শ্ৰমিক হিচাপে নিয়োজিত হৈ আছে। অৰ্থাৎ এই ল'ৰা ছোৱালী বোৰ শিক্ষাৰ বাবে আগ্ৰহী নহয়। ইয়াৰ একমাত্ৰ কাৰণ আজিৰ এই শিক্ষা ব্যৱস্থা। ল'ৰা ছোৱালী বোৰে কেইটামান অধ্যায়ৰ ভিতৰত আৰু কেইখনমান কিতাপৰ ভিতৰত নিজকে বন্দী ৰাখিব নোৱাৰি নিজৰ আনুষ্ঠানিক শিক্ষা আধাতে বন্ধ কৰে আৰু শ্ৰমিক হিচাপে কাম কৰিবলৈ আৰাম্ভ কৰে। সম্প্ৰতিক সময়ৰ নম্বৰ কেন্দ্ৰীক শিক্ষা ব্যৱস্থাই কন কন ছাত্ৰ -ছাত্ৰীৰ মাজত বৈষম্যৰ সৃষ্টি কৰিছে ।নম্বৰৰ তালিকা এখনৰ বাবে মাহে মাহে পৰীক্ষা অনুষ্ঠিত কৰি ছাত্ৰ-ছাত্ৰীক বাস্তৱ জীৱনৰ পৰা, খেলা -ধূলাৰ পৰা আতৰাই আনি ছাত্ৰ-ছাত্ৰীৰ মন মগজুক জুৰুলা কৰিছে। এয়া শিক্ষাৰ নামত চলি থকা এটা অৰ্থহীন মানসিক অত্যাচাৰ।

# আয়ুৰ্বেদৰ সৈতে কৰ্কট ৰোগ নিয়ন্ত্ৰনৰ একত্ৰীকৰণ

ডাঃ হেমেন কলিতা, সহকাৰী অধ্যাপক
চৰকাৰী আয়ুৰ্বেদিক মহাবিদ্যালয়, জালুকবাৰী




কৰ্কট ৰোগ এটাৰোগ নহয় বৰঞ্চ ই পৰিৱৰ্তনশীল জৈৱিক আচৰণৰ ক্ষতিকাৰক স্থিতিৰ এটা গোট। স্তনৰ কৰ্কট হৈছে মানৱ জাতিৰ আটাইতকৈ সচৰাচৰ কৰ্কট ৰোগ। প্ৰতি বছৰে ১০০, ০০০ নতুন ঘটনা প্ৰতিবেদিত হয়। আগতীয়াকৈ চিনাক্তকৰণ আৰু সময়মতে উপযুক্ত চিকিৎসাৰ দ্বাৰা মৃত্যুৰ হাৰ হ্ৰাস কৰিব পাৰি, সেয়েহে বহুতো দেশে স্তন কৰ্কট ৰোগৰ স্ক্ৰীণিং প্ৰদান কৰে। কৰ্কট হৈছে বিশ্বব্যাপী মৃত্যুৰ দ্বিতীয় মুখ্য কাৰণ। প্ৰায় ১- ৬ মৃত্যু কৰ্কট ৰোগৰ ফলত হয়। কৰ্কট ৰোগৰ ফলত হোৱা মৃত্যুৰ প্ৰায় ৭০% নিম্ন আৰু মধ্যবিত্ত পৰিয়ালত হয়। ধপাত ব্যৱহাৰ হৈছে কৰ্কট ৰোগৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ বিপদাশংকাৰ কাৰক আৰু প্ৰায় ২২% কৰ্কট ৰোগৰ বাবে দায়বদ্ধ। সংক্ৰমণৰ ফলত হোৱা কৰ্কট ৰোগ, যেনে হিউমেন পেপিলোমা ভাইৰাছ (এইচপিভি) নিম্ন আৰু মধ্য আয়ৰ দেশবোৰত ২৫% লৈকে কৰ্কট ৰোগৰ বাবে দায়বদ্ধ। ভাৰতত কৰ্কট ৰোগৰ পৰিস্থিতিয়ে দেখুৱাইছে যে ধপাত সম্পৰ্কীয় কৰ্কট ৰোগ ৪০% , সংক্ৰমণ সম্পৰ্কীয় কৰ্কট ৰোগ ১৫%, আৰু জীৱনশৈলী সম্পৰ্কীয় কৰ্কট ৰোগ হৈছে ১০%। আমাৰ উত্তৰ-পূব ভাৰতক ভাৰতৰ কৰ্কট ৰোগৰ ৰাজধানী বুলি কোৱা হয়। ইয়াৰ কাৰণ হৈছে এই অঞ্চলৰ প্ৰতি লাখিয়া জনসংখ্যাত প্ৰতি ১৫০-২০০ জন কৰ্কট ৰোগত আক্ৰান্ত। ইয়াৰ আঁৰৰ কাৰণ হ'ব পাৰে এই অঞ্চলৰ খাদ্যাভ্যাস আৰু সংস্কৃতি। পৰম্পৰাগত পদ্ধতিত কেমোথেৰাপী, ৰেডিঅ'থেৰাপী, অস্ত্ৰোপচাৰ, লক্ষ্য কোষ চিকিৎসা আদিৰ দ্বাৰা কৰ্কট ৰোগৰ চিকিৎসা কৰা হয়। এই চিকিৎসাবোৰ কাৰ্যকৰী কিন্তু বহুতো ৰোগিয়ে পাৰ্শ্বক্ৰিয়াৰ বাবে প্ৰতিৰোধ কৰিব নোৱাৰে বা অব্যাহত ৰাখিব নোৱাৰে। কেমোথেৰাপীৰ কিছুমান পাৰ্শ্বক্ৰিয়া হৈছে ওকালি অহা, বমি, ভোক নোহোৱা, শৰীৰৰ ওজন হ্ৰাস, ডায়েৰিয়া, ৰক্তহীনতা, চুলি সৰা ইত্যাদি। একেদৰে ৰেডিঅ'থেৰাপীৰ পাৰ্শ্বক্ৰিয়া যেনে মুখৰ আলচাৰ, মুখ শুষ্কহোৱা, স্বাস্থ্যকৰ কোষকলাৰ ক্ষতি, হাঁওফাঁও, যকৃত, কিডনীৰ দৰে গুৰুত্বপূৰ্ণ অঙ্গৰ ক্ষতি। গতিকে আয়ুৰ্বেদৰ সৈতে আধুনিক কৰ্কট চিকিৎসাৰ একত্ৰীকৰণ হৈছে সময়ৰ প্ৰয়োজন। এনে একত্ৰীকৰণৰ মুখ্য উদ্দেশ্যই জীৱনৰ মানদণ্ড উন্নত কৰাত সহায় কৰিব, পাৰ্শ্বক্ৰিয়া হ্ৰাস কৰিব, ৰোগ প্ৰতিৰোধ ক্ষমতা উন্নত কৰিব, সহনশীলতা উন্নত কৰিব আৰু কৰ্কট চিকিৎসাৰ অনুপালন কৰিব। আয়ুৰ্বেদে স্বাস্থ্য জীৱন শৈলী, স্বাস্থ্য বৃদ্ধিৰ বাবে সাত্বিক আহাৰৰ পৰামৰ্শ, চাপৰ পৰা সকাহ, আৰু ধপাত, সুৰা আদি ত্যাগ কৰাত সহায় কৰি কৰ্কট ৰোগ প্ৰতিৰোধ কৰিব পাৰে। আয়ুৰ্বেদে পৰম্পৰাগত ঔষধৰ পাৰ্শ্বক্ৰিয়া প্ৰতিহত কৰিব পাৰে, ই পৰম্পৰাগত ঔষধৰ প্ৰভাৱবোৰ সহন কৰিব পাৰে, ই ৰোগীৰ ৰোগ প্ৰতিৰোধ ক্ষমতা আৰু শক্তি বৃদ্ধি কৰিব পাৰে। আয়ুৰ্বেদে জীৱনৰ মানদণ্ড নিশ্চিত কৰাৰ লগতে জীয়াই থকাৰ হাৰ বৃদ্ধি কৰে। আয়ুৰ্বেদত বহুতো বনৌষধি, ৰসায়ন চিকিৎসা, পঞ্চকৰ্ম চিকিৎসা, যোগ চিকিৎসা আৰু বহুতো জীৱনশৈলী আৰু আহাৰৰ পৰামৰ্শ ব্যৱহাৰ কৰি কৰ্কট ৰোগৰ চিকিৎসা কৰা হয়। এইবোৰ অতি সৰল আৰু ঘৰত ব্যৱহাৰ কৰিব পাৰি কিন্তু কেতিয়াবা চিকিৎসালয়ৰ প্ৰয়োজন হয়। কৰ্কট ৰোগ ৰক্ষাৰ ক্ষেত্ৰত ৰসায়ন চিকিৎসা অতি কাৰ্যকৰী। ৰসায়ন বনৌষধি আৰু প্ৰস্তুতকৰণ অভিযোজনৰ দৰে একে। কৰ্কট ৰোগৰ মুখ্য অপৰাধী মুক্ত ৰেডিকেল গঠন প্ৰতিহত কৰাত ৰসায়ানে সহায় কৰে। কৰ্কট ৰোগৰ চিকিৎসাৰ সময়ত আৰু কেমোথেৰাপী আৰু ৰেডিঅ'থেৰাপীৰ সময়ত এডজুভেণ্ট আৰু সহ চিকিৎসা হিচাপে ৰাসায়ন ব্যৱহাৰ কৰা হয়। পুনৰাবৃত্তি প্ৰতিহত কৰিবলৈ কৰ্কট ৰোগৰ চিকিৎসাৰ সময়ত বা পিছত শৰীৰক বিষমুক্ত কৰিবলৈ পঞ্চকৰ্ম চিকিৎসা ব্যৱহাৰ কৰা হয়। কেমোথেৰাপী আৰু ৰেডিঅ'থেৰাপীৰ পাৰ্শ্বক্ৰিয়াৰ লক্ষণবোৰ বিভিন্ন আয়ুৰ্বেদিক ঔষধৰ দ্বাৰা ভালদৰে নিয়ন্ত্ৰণ কৰিব পাৰি যিবোৰ ইতিমধ্যে আয়ুৰ্বেদিক সাহিত্যত উল্লেখ কৰা হৈছে। যিসকল ৰোগী বিভিন্ন ৰোগৰ বাবে কেমোথেৰাপী আৰু ৰেডিঅ'থেৰাপীৰ বাবে উপযুক্ত নহয় তেওঁলোকক আয়ুৰ্বেদ প্ৰাথমিক চিকিৎসা হিচাপে চিকিৎসা কৰিব পাৰে। ই টিউমাৰ প্ৰত্যাক্ৰমণত সহায়ক হ'ব পাৰে আৰু মেটাষ্টেচিছ প্ৰতিৰোধ কৰিব পাৰে। গতিকে শেহতীয়া সময়ত আয়ুষ বিভাগ ভাৰত চৰকাৰে আয়ুৰ্বেদৰ দ্বাৰা কৰ্কট ৰোগৰ চিকিৎসা বিকশিত কৰাৰ বাবে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰিছে। আন পদক্ষেপবোৰৰ ভিতৰত এটা অতি গুৰুত্বপূৰ্ণ পদক্ষেপ হ'ল কৰ্কট ৰোগ নিয়ন্ত্ৰণৰ বাবে আয়ুষ প্ৰতিষ্ঠানত ইণ্টিগ্ৰেটিভ **অংক'ল**জী কেন্দ্ৰ আৰম্ভ কৰা। অল ইণ্ডিয়া ইনষ্টিটিউট অফ আয়ুৰ্বেদ নতুন দিল্লী, নেচনেল ইনষ্টিটিউট অফ আয়ুৰ্বেদ, জয়পুৰ আদিৰ দৰে প্ৰতিষ্ঠিত আয়ুষ প্ৰতিষ্ঠানে ইণ্টিগ্ৰেটিভ **অংক'ল**জী কেন্দ্ৰ আৰম্ভ কৰিছে য'ত কৰ্কট ৰোগীৰ বাবে বিভিন্ন গৱেষণা কাৰ্যকলাপৰ সৈতে ৰোগীৰ যত্ন কৰা হয়। আন কিছুমান ব্যক্তিগত আয়ুৰ্বেদিক প্ৰতিষ্ঠান যেনে ইণ্টিগ্ৰেটিভ কৰ্কট ৰোগচিকিৎসা আৰু গৱেষণা কেন্দ্ৰ পুনে মহাৰাষ্ট্ৰ, কেএলই আয়ুৰ্বেদ চিকিৎসালয় বেলগাম কৰ্ণাটক আদি হৈছে কিছুমান প্ৰতিষ্ঠিত সংগঠন য'ত কৰ্কট ৰোগীৰ বাবে আয়ুৰ্বেদিক চিকিৎসা উপলব্ধ আছে। শেহতীয়াকৈ অসমত চৰকাৰী আয়ুৰ্বেদিক মহাবিদ্যালয় চিকিৎসালয় জালুকবাৰী গুৱাহাটীত ইণ্টিগ্ৰেটিভ কেন্সাৰ ক্লিনিক বিশেষত্ব ক্লিনিকৰ অধীনত কৰ্কট ৰোগীৰ বাবে আয়ুৰ্বেদিক চিকিৎসা প্ৰদান কৰাৰ উদ্দেশ্যৰে আৰম্ভ কৰা হৈছে। এই ক্লিনিকটো কেৱল শনিবাৰে উপলব্ধ য'ত ৰোগীক অ'পিডিত দেখা যায় আৰু প্ৰয়োজন অনুসৰি চিকিৎসালয়ত ভৰ্তি কৰা হয় ।এতিয়াৰ পৰা অসম আৰু উত্তৰ-পূব অঞ্চলৰ কৰ্কট ৰোগীসকলে তেওঁলোকৰ ৰোগৰ বাবে আয়ুৰ্বেদিক চিকিৎসা লাভ কৰিব পাৰিব । এই ক্লিনিকটো নিম্নলিখিত ধৰণে এটা উদ্দেশ্যৰে আৰম্ভ কৰা হৈছে - ১)কৰ্কট ৰোগীৰ জীৱনৰ মানদণ্ড উন্নত কৰাত অৰিহণা যোগোৱা ২)পৰম্পৰাগত চিকিৎসাৰ পাৰ্শ্বক্ৰিয়া হ্ৰাস কৰাৰ বাবে এক সহায়ক থেৰাপী স্থাপন কৰা ৩)বৈকল্পিক চিকিৎসা বিচাৰি উলিওৱা য'ত পৰম্পৰাগত চিকিৎসাৰ সীমাবদ্ধতা আছে ৪) কৰ্কট ৰোগ প্ৰতিৰোধৰ বাবে এক ৰণনীতি নিৰ্ধাৰণ কৰা ৫)কৰ্কট গৱেষণা উত্তোলনৰ বাবে একত্ৰিত কৰা।

# আজিনো কি লিখোঁ ??

তানিয়া মধুকল্য, প্ৰথম ষাণ্মাসিক ইংৰাজী বিভাগ
বিহপুৰীয়া মহাবিদ্যালয়, বিহপুৰীয়া



আজিনো কি লিখোঁ ??
তাকে ভাবি- ভাবি
আকৌ ডায়েৰীৰ পৃষ্ঠা
লুটিয়াই চালো,
পঢ়িলোঁ মই লিখি
অহা দিনলিপিবোৰ
তাৰ মাজতেই সোমাই
আছে মোৰ অনুভৱৰ
কিছু ভাললগা স্তৱক ।
পঢ়ি চালো সেইবোৰ ।
আকৌ এবাৰ ৰোমন্থন কৰিলোঁ
মোৰ পাৰ হৈ যোৱা অতীতক
ভাবিলো এটা কবিতাকে লিখোঁ ।
আকৌ কলম তুলিলো
ডায়েৰীৰ এখন ছাফা পৃষ্ঠাত
আকৌ টুকিলোঁ মোৰ এটি
নতুন অনুভৱ ।
আকৌ লিখিলোঁ
এটা নতুন কবিতা ।
লিখিলোঁ প্ৰকৃতিৰ কথা,
লিখিলোঁ মানৱ জীৱনৰ কথা,
পাতলালো মোৰ মনত
দোলা দি থকা কিছু
সুমধুৰ অনুভৱ ।
আজি মই আকৌ এটি
নতুন কবিতা লিখিলোঁ ।।

অনুগল্প-

# নিৰ্বাচন

অনুৰাধা পূজাৰী, অষ্টম শ্ৰেণী, মেলেং
উচ্চ ,মাধ্যমিক বিদ্যালয়,
লাহদৈগড়, যোৰহাট



অসীমে এইবাৰ নিৰ্বাচনত ভাগ লম বুলি ভাবিছে। অসীম তিতাবৰ সমষ্টিৰ পৰা বিজেপি দলত উঠিছে। অসীমৰ পত্নী অৰচিৰ্তায়েও অসীমক নিৰ্বাচনৰ কামত সহায় কৰিছে। এদিন হঠাৎতে অসীমক কাৰোবাৰ লগত মোবাইল ফোনত কথা পতা অৰচিৰ্তাই শুনিলে - সকলো ব্যৱস্থা হৈছেনে।কাইলৈ আমি গাৱঁত কম্বল আৰু আঠুৱা দিম। গাৱঁৰ সহজ-সৰল মানুহক মিছা প্ৰতিশ্ৰুতি দি ভোট লোৱাৰ এক সহজ উপায়। অৰচিৰ্তাই অসীমৰ কথাবোৰ গভীৰ ভাৱে চিন্তা কৰি অসীমক কলে-দুখীয়া মানুহবোৰক বস্তুৰ লোভ আৰু মিছা প্ৰতিশ্ৰুতি দি নিৰ্বাচনত জিকাৰ কিবা লাভ আছেনে। অৰচিৰ্তাৰ কথাত অসীম লাজত ডুব খাই গল।

# শৈশৱৰ ৰসাল কাহিনী

- অঞ্জুমণি শইকীয়া
যোৰহাট, মালৌ আলি (তিনি আলি)



সেই সময়ত আমাৰ ঘৰত বহুত ৰিক্সা আৰু ঠেলা গাড়ী আছিল ।ৰিক্সা ঠেলাবোৰ ভাড়ালৈ দিয়ে । কিন্তু, কিবা বিজুতি হ'লে বাবাই (দেউতা ) নিজে ভাল কৰে। ৰিক্সা ঠেলাৰ বেলেগ বেলেগ অংশবোৰ কিনি বাবাই নতুনকৈ সেইবোৰ সাজিব জানিছিল।
মায়ে কেইবাদিনো কৈ আছিল ছাগলীৰ মূৰৰ মাংস খাবলৈ মন গৈছে বুলি। বাবাই আজি আনিম, কালি আনিম কৈ থাকে । মানে, ব্যস্ততাৰ বাবে পাহৰে। এদিন মায়ে ক'লে, " দুপৰীয়াৰ ভাত ৰান্ধিবৰ হ'ল। মাংস আনিব নে? "বাবাই ৰিক্সা এখন মেৰামতি কৰি আছিল। ৰিক্সা চালক জনক পইচা দি ক'লে,"তয়ে যা, ছাগলীৰ মূৰৰ মাংস লৈ আহিবি। "মায়ে নহৰু, পিয়াঁজ, মচলা পতাত (শিল পতা) পিচিবলৈ ল'লে।
কিছু সময়ৰ পিছত ৰিক্সাৱালাজন আহি মাৰ্লে মোনাটো আগবঢ়াই ক'লে, "মাংস ল"।
মায়ে মোনাৰ পৰা উলিয়াই "এইটো কি" বুলি চিঞৰি মাটিত পেলাই দিলে। ওৱাক ওৱাক কৰা শুনি বাবাই "কি হ'ল" সুধিলে। মায়ে আঙুলিয়াই দেখুৱাই ক'লে, এইটো আঁতৰাই নিয়ক মই মাংস নাখাওঁ। ছাগলীৰ কটা মূৰটো শিং দুটাৰ সৈতে চকু দুটা মেলি পৰি আছে ।
" অই', কি মাংস আনিলি এইবোৰ ?"
" মালিক, ছাগলীৰ মূৰ।"
" এনেকৈ খাই নেকি? কাটি নানিলি কিয়?"
" কাটি দিব খুজিছিল। মইহে নালাগে বুলি ক'লো।"
" কিয়?"
" মানে মালিক, ছালটো পুৰি খাই মই ভালপাওঁ। ময়ে ছালটো গুচাই দিম, মাংসটো তহঁতি খাবি।"
বাবাই শিংটোত ধৰি মূৰটো ৰাস্তাৰ সিপাৰে ফুটুকানীডৰালৈ দলিয়াই দিলে। ৰিক্সাৱালাজন সেমেনা সেমেনিকৈ গুচি গ'ল। ছাগলীটোৰ কটা মূৰটোৰ চকু দুটা ডাঙৰকৈ মেল খাই থকা দৃশ্যটো এতিয়াও মোৰ মানসপটত জিলিকি আছে ।

# সৰ্বগুণৰ সমাহাৰ আমাৰ বিদ্যালয়

ময়ূৰাক্ষী গগৈ



চৰকাৰী অভ্যসন উচ্চ বুনিয়াদী বিদ্যালয়
আমাৰ কৰ্মময় জীৱনৰ কৰ্মস্থলী।
সহকৰ্মীৰ দুখত দুখী, সুখত সুখী
আমি যেন একেটা পৰিয়ালৰে সদস্য।
নিখুঁত কৰ্ম আঁচনি আৰু পৰিকল্পনাৰে
ধীৰ স্থিৰ অৰুণা গোস্বামী বাইদেউ
সকলোৰে শ্ৰদ্ধাৰ।
বিজ্ঞান শিক্ষয়িত্ৰী বন্দিতা শৰ্মা বাইদেউ
শিশু সাহিত্যিক ৰূপে
পঢ়ুৱৈ সমাজত পৰিচিত।
ছাত্ৰ-ছাত্ৰীৰ মাজত চন্দন চাৰ নামে জনাজাত
চন্দ্ৰ চুতীয়া চাৰক সভাৰ দায়িত্ব দিলে
চিন্তাৰ কোনো কাৰণ নাই।
গহীন-গম্ভীৰ খোজেৰে
মীৰা চেতিয়া বাইদেৱৰ
অসমীয়া ভাষা শিকোৱাত
নাই একো জটিলতা।
অকণি হঁতক আঙুলিত ধৰি
অ-আ-ক-খ শিকোৱা
কুঞ্জ বড়া বাইদেউ
দেখাতেই সহজ-সৰল।
ডালিম গুটীয়া হাতৰ আখৰেৰে
ৰফিকউদ্দিন আহমেদ চাৰ।
লিখা মেলাৰ দায়িত্ব
সকলোৰে চাৰকে দিব বিচাৰোঁ।
শিক্ষাৰ্থী হঁতক ড্ৰীল-পেৰেড
শিকোৱাত ব্যস্ত অৰুণা কছাৰী বাইদেউ
হস্ত বিদ্যাতো পাকৈত।
বিদ্যালয়ৰ সকলোৰে প্ৰিয়
হাঁহি মুখীয়া বন্দিতা ভাগৱতী
সংগীত, নাট, অভিনয়ৰ লগত জড়িত।
আমাৰ পৰিয়ালৰ একেবাৰে নুমলীয়া
মহচিনা জীনত আৰু স্মিতা নাথ
দুয়োজনী নিপুণ ইলেকট্ৰনিক মাধ্যমত।
সৰু-বৰ সমস্যা সমাধান কৰে সিহঁতেই।
পৰিয়ালৰ মুৰব্বী জিতেন দাস চাৰ
উঠিলেও খং, ক'ব নোৱাৰে
কাকো একো বেয়াকৈ।
সকলোৰে মাজত থাকি মইতো
বতাহতে উৰি থাকো।

# ENGLISH NEWS SECTION

## Governor attends FICCI's Annual Women Achievers' award- giving ceremony

**Guwahati, RB News:** Assam Governor Prof. Jagdish Mukhi attended the Northeast's Annual Women Achievers' award-giving ceremony by FICCI Ladies Organisation in Guwahati today. Speaking on the occasion as the Chief Guest, Governor Prof. Mukhi said, "It is a noble initiative of the organizer for honouring seven exceptional women achievers from diverse fields and acknowledging their contributions to society each of whom has distinguished themselves in their chosen fields of vocations". He also said, "In our 5000 year civilization, it has been mentioned in Rig Veda that God stays at a place where women are worshipped. Even in Upanishad it has been mentioned that 'Matri Deva Bhaba' i.e. 'Your Mother is your Goddess". Therefore, the Governor said that the occasion is not just a common gathering, it is a congregation of intelligence and creativity. He also said that in the society, women have always been playing an active role as mother, as wife, as social reformer so on and so forth. For the children mothers are the first teachers of life and they are grown under their observation. Referring to famous youth icon Swami Vivekananda who once said, 'A country which does not respect a woman, can never become great', the Governor appealed to all to pay adequate respect to the women for strengthening the foundation of the society. He also emphasised on the role of women in North East and said that, Northeast the beautiful part of the country is known for its matriarchal leanings, and hence women have shared a significant social space as compared to most of their contemporaries living in other parts of the Indian sub-continent. Women in India's northeast have made ground breaking contribution in their respective fields. He also mentioned the progress of Lovlina Borgohain, Mirabai Chanu, Hima Das, Mary Kom who contributed immensely to their respective fields and have brought laurels to the nation. As such celebrating the success of women and their journey towards scaling the highest level of excellence is something which is worth emulating.The Governor also said that, Empowerment of women is the cornerstone for rapid socio-economic growth of the country. With India leading the growth story, the country is in a position to provide the huge demand of human resources including its abundant youth resources. To achieve this growth, women will have to play the role of a catalyst to propel the growth of the society. Chairperson, FLO Northeast Suruchi Agarwal and Sr. Vice-Chairperson, FLO Northeast Meghali Das were also present at the award-giving ceremony

## Governor interacts with officers from National Defence College

**Guwahati, RB News:** Assam Governor Prof. Jagdish Mukhi interacted with the officers from Armed-forces, Civil and Police Services as well as senior officers of Armed Forces of other countries at Raj Bhavan today and apprised them of Assam and its socio-cultural, political and economic characteristics and potentials. Hailing the works of the defense personnel, the Governor said that the service of Armed Forces has always been a matter of great honour. He said that he felt happy to witness the enthusiasm of young Indians today to join the noble service and serve the nation with pride and prestige. The Governor informed them of the State government's mission and vision of bringing about an overall change for all round development of the state. He also talked on the potentials of Assam with Guwahati as the gateway to South Asian countries. He drew the attention of the officers to Assam's rich and abundant natural resources, human resources and its diverse heritage in the fields of culture and ethnicities. It may be noted that the delegation from National Defence College comprised of 16 officers who are on a visit to the state under Economic Security Study Tour (UI&SST) for understanding India. The Group was led by Major General Rajesh Moghe. Commissioner and Secretary to the Governor S.S.Meenakshi Sundaram was also present during the interactive meeting.

## Governor inaugurates 24th Anup Lahoty India Club Open Tennis Tournament, 2022



**Guwahati, RB News:** Assam Governor Prof. Jagdish Mukhi inaugurated the 24th Anup Lahoty India Club Open Tennis Tournament at India Club in the city today. Speaking on the occasion, Governor Prof. Mukhi hailed the initiative of the organizer and said that the tournament is one of the prominent events of this region which provides the budding players to exhibit their skill-set to grab higher opportunities. He also said that the tournament has also given opportunity to the budding players to showcase their sporting acumen and get noticed at state and national forum. He also hoped that the tournament will continue to promote sportsmanship and strengthen the bond of friendship and camaraderie among the participating players. He also said that the seriousness and professionalism with which the tournament is organised and played will definitely help this sports to raise its standards and popularity in the state. The Governor also said that, sports acts as a catalyst in forging stronger and deeper people-to-people ties. It strengthens unity, harmony and brotherhood amongst different people of the society. Continuous travel for interaction and competitions can help one to understand the diverse cultures of other regions and through the process sports contributes immensely to national integration and nation building. Emphasizing the importance of tennis, the Governor said that tennis is a kind of racket sport that is beneficial to one's body in many ways. Although the majority of people concentrate on sports like cricket or football when they are young, often they cannot participate in those sports as they become older. However, tennis can be played and enjoyed by a wide group of people irrespective of their age. He also said that, because of several movements which are involved in the act of playing tennis, it is incredibly helpful for a better physical and mental health. According to various studies, playing tennis reduces stress and increases levels of happiness among people, especially older people, the Governor added. President of India Club, Bijan Choudhary and General Secretary, India Club Biswadeep Bora were also present at the inaugural function.

**E-mail us-**
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

# Rongili Barta

GUWAHATI—781025


১২ চ'ত, ১৪২৭ চন Rongili Barta, Date of Publication-- 27 March, 2022

## Beauty of the Week



**Tridisha Goswami**

## Photography of the Week




**Swaptadeep Garg**

**Beauty of the Week** **Art of the Week**
আৰু · **Photography of the Week** লৈ
আপোনালোকৰ ফটোবোৰ আমালৈ E-mail যোগে প্ৰেৰণ কৰক
E-mail-
rongilibartamedhi@gmail.com
Whatsapp - 9854215286

# এজাক শিশুৰ মৃত স্বপ্ন

পুলিন ডেকা



শাৰীবদ্ধভাৱে আছিল এজাক শিশু
বৰফৰ শীতোষ্ণ ছাঁত এমুঠি নিথৰ হাঁহিৰ খলকনি
ক্ষেপণাস্ত্ৰৰ উশাহত
ক্ষত-বিক্ষত শব্দৰ চাকনৈয়া থমকি ৰৈছে
ভাৰাক্ৰান্ত সময় বুটলি প্ৰতিটো দিনত উঠা-নমা
কৰিছে এমুঠি তমসা গুঞ্জন
নিশা এন্ধাৰে বুটলি লৈছে বোমাত বিধ্বস্ত পোহৰ
সুখী কৰিবলে 'মৃত্যুৰ বেদনাকো গলিবলে' দিব লাগে
খুব নীৰৱে আছে বন্দুকৰ গুলীত বিদীৰ্ণ
শিশুৰ চকুৰ মণি, কলিজাৰ তেজসিক্ত ঢৌৰ বোৱঁতী সুঁতি
আৰু এটা অপৰাহ্ন আবেলি।
প্ৰতিগৰাকী মাতৃয়ে বুকু গুঁজি দিছে নিথৰ শিশুৰ ওঁঠত
প্ৰতিগৰাকী পিতৃয়ে দৃষ্টিত গুঁজি লৈছে উদঙীয়া ৰাজপথ
সৈনিকৰ খোজৰ শব্দ
সমাধিৰ পথাৰত এতিয়া এজাক বিষাক্ত বতাহ
শুভ্ৰ দলিচাত উভতি যোৱা সময়বোৰে বাৰুকৈয়ে উজুতি খাইছে
এইমাত্ৰ এজন কামাণ্ডাৰে আহি ক'লে-মৃত শিশুবোৰক
জ্বলাই দিবলৈ কেইটামান বোমা আনিবলৈ দিয়া হৈছে।
তাৰ পিছত যুদ্ধাস্ত সময়বোৰে কঢ়িয়াই ফুৰিছিল
মাতৃৰ উদং কোলা
আচলতে তেতিয়া দিবলে একোৱেই নাছিল
আছিল মাথোঁ স্বপ্নৰ দৌৰত উটি-ভাঁহি ফুৰা নিলাজ আস্ফালন
শিশুৰ সপোন কঢ়িয়াই আগুৱাই যোৱা মৃত সোঁৱৰণত
হেঁপাহৰ আলফুল ঘুমুটিয়ে বাট হেৰুৱাইছে
হৃদয়ৰ প্ৰতিটো শোকাৰ্ত শব্দই এদিন হয়তো
শ্ল'গান হ'ব — মৃত্যু নে জীৱন?
যুদ্ধ নে শান্তি? লাহে লাহে মৃত শিশুৰ দেহবোৰত
উতলি উঠিছে সন্ত্ৰাসিত পদধ্বনিৰ সুৰ
আৰু ক'লা আৱৰণৰ এখন নবীয়া পৃথিৱী।



**Bhumi Das**

## Art of the Week

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286